স্যমন্ত-হৰণ ।

শ্ৰীভাৰতচন্দ্ৰ দাস বি এ, ।

গুৱাহাটী ।

প্ৰথম তাঙ্গৰণ

১৯২৭ ।

মূল্য ।০ আঠ আনা ।

ভাৱৰীয়াসকল ।

পুৰুষসকল ।

শ্ৰীকৃষ্ণ, উগ্ৰসেন, জাম্বুবান, কুমাৰ, সদানন্দ,
সত্ৰাজিত, প্ৰসেন, সূৰ্য্যদেৱ, দূত,
সৈন্যগণ, গ্ৰাম্যবালকগণ,
নদাই প্ৰভৃতি
নগৰীয়াগণ,
চোৰ ।

তিৰোতাসকল ।

জাম্বুৱতী, ৰুক্মিণী, জাম্বুৰাণী, সত্ৰাজিত-ৰাণী,
সখি, সহচৰীগণ, মহিমা, মালিনী,
সোণপাহী, দেৱ-বালাগণ,
ছায়া-বালাগণ,
জয়া ।

স্যমন্ত-হৰণ।

———:০:———

প্ৰথম অঙ্ক।

প্ৰথম গৰ্ভাঙ্ক।

ফুলনি—দেৱবালাগণ।

কা'শ্মৰী—খেমটা

(আজি) ফুলৰ মালায়, সাজাওঁ আহা,
ৰাম কানু দুভাই।
শাৰা শাৰী হই, আহাছোঁ সবে,
নাচিম গীত গায়।
আজি ফুলৰ মালায়, সাজাম গোকুল,
নেদেখি বদন, হৃদয় আকুল,
ফুলৰ মালা গলত;
আজি প্ৰাণ-ভৰি পিন্ধাওঁ আহা;
চখুৰ আগত, দেখিলে তাক,
প্ৰাণে ব্যথা পায়;
প্ৰাণ যে আমাৰ, হৰি নেই তাৰ
নয়ন ভঙ্গিমাই।

[পট পৰিবৰ্ত্তন।]

দ্বিতীয় গৰ্ভাঙ্ক ।

সমুদ্ৰতীৰ—অস্তাচলগামী ৰবি ।

(ধ্যানমগ্ন সত্ৰাজিত)

সত্ৰাজিত—কৰি কৃপা দীনজনে প্ৰভো !
দিন-মণি দীননাথ দয়াৰ সাগৰ,
অধিষ্ঠান কৰা হৃদয়ত,
দূৰ কৰা মন-অন্ধকাৰ,
দিয়া স্থান তব পদমূলে ।

[ছায়াবালাগণৰ প্ৰবেশ আৰু গীত]

কেদাৰা—মিশ্ৰ ।

আমি নামিছো, আমি নামিছোঁ,
নামিছোঁ চোৱাহে নভোমাৰ্গ কৰি অন্ধকাৰ ।
আমি পিন্ধিছোঁ আন্ধাৰ বাস, কৰিছোঁ কিৰণ-নাশ,
লগত আনিছোঁ আলোহৰ ।
তুমি দেখিছা সূৰুয জ্যোতি, আহে যায় নিতি নিতি,
নিতে আহে নিতে যায়, গভীৰ আন্ধাৰ ৰাতি ;
ছায়াৰ প্ৰভাৱ বিনে, তপন কিৰণ সনে,
সাধ্য নাই নৰ মনুষ্যৰ ।

[প্ৰস্থান ।

সত্ৰাজিত—বাহিৰে ভিতৰে তমোময়,
নেদেখোঁ একোকে,

তমোহৰ, তপন আৰাধ্য দেৱ,
তেজঃপুঞ্জ কৰা পৰকাশ;
দিয়া বৰ, জ্ঞান-দিব্য চক্ষু লাভ;
কেৰা ঘন মানস তিমিৰ,
চাওঁ তব জ্যোতির্ম্ময় ৰূপ;
পূর্ণ হ'ক হৃদয় আনন্দে মোৰ।

[উষা-দেৱবালাগণৰ প্ৰবেশ আৰু গীত।]

ৰাগৰ খাম্বাজ-কাওৱালী

পূবাকাশে দিলে দেখা তৰুণ অৰুণ ৰুণ;
ৰাজিছে ৰশ্মিয়ে বন ফুটিছে কমলদল;
কোকিল-পঞ্চম তানে মুখৰিত কুঞ্জৱন,
মধুকৰে চুমে ফুল মদনে তাড়িছে বাণ;
তেজিয়া অলস উঠা, কৰা বিভু গুণ গান।

[প্ৰস্থান।

সত্ৰাজিত—দেখা দিলে উষাৰ আলোক,
আহা দিনকৰ, দয়া কৰি দীনজনে,
দিয়া দৰশন, চক্ষু ভৰি চাওঁ তব ৰূপ;
ভক্তিভাৱে উপাসি চৰণ:
ধন্য কৰোঁ নৰজন্ম মোৰ।

সূৰ্য্যৰ প্ৰবেশ—

সূৰ্য্য—সূৰ্য্য মই, কিবাহেতু কৰিলা আহ্বান?
সত্ৰাজিত—থাপি শিৰ উপৰত তব ৰাঙ্গা পদ,

লোৱা দান কৰি ; মাগিছোঁ আশ্রয়,
অভয় চৰণে তব ।

সূৰ্য্য—দিওঁ দান লোৱা এই স্যমন্তক মণি,
অতি প্রভাময় জ্যোতি, মম সম,
কৰে ইটো উদ্গীৰণ ।

সত্ৰাজিত—বাঞ্ছা নাই মণি লাভে,
মাগোঁ প্রভো স্থান চৰণত ;
পাওঁ যেন নিত্য দৰশন ।

সূৰ্য্য—তুমি মোৰ একান্ত ভকত,
লোৱা স্যমন্তক মণি,
কৰিব আলোকময় বাহিৰ-ভিতৰ ।

সত্ৰাজিত—অনিত্য ই মণিবত্ন,
মাগোঁ নিত্য অমূল্য ৰতন ।

সূৰ্য্য—দুৰ্ল্লভ অমূল্য ৰত্ন ।

সত্ৰাজিত—অকাৰণে কৰিছা ভাগুনা,
জ্যোতিৰ সাগৰ প্রভাকৰ ;
নাই অন্য বাঞ্ছা, বিনে তব শ্রীচৰণ ।

সূৰ্য্য—দ্বাৰকাক যাই, কৰা সমৰ্পণ স্যমন্তক,
কৃষ্ণ পাদ পঙ্কজত,
হব লাভ অমূল্য ৰতন ।

[উভয়ৰ প্রস্থান]

সদানন্দৰ প্ৰবেশ—

সদানন্দ—বোলো দেৱশ্ৰী! ই তোমাৰ সত্যযুগ নহয়; তোমাৰ বুদ্ধিৰ দৌড় দেখি নবমণিষ আমি অবাক! বাটত যে কাণা বিধাতা বহি আছে সেইটো একেবাৰে পাহৰিলা। পাক যোৱা, পাচত গম পাবা। বৰ নহয় শাওহে দিলা যেন পাওঁ। মণি নহয় সেইটো তেওঁৰ গলগ্ৰহহে হল। খুজিলে এক, দিলা এক। মই সদানন্দ ভুক্তভোগী; লাৰে লাৰে পানী খাই মৰিছোঁ। জানো হৰিয়ে কেতিয়া কৃপা কৰে। [প্ৰস্থান।

তৃতীয় গৰ্ভাঙ্ক।

দ্বাৰকাৰ পথ।

সত্ৰাজিত আৰু প্ৰসেন।

সত্ৰাজিত—ভ্ৰান্তমন, ভ্ৰান্তিময়, সমস্ত সংসাৰ;
নিতান্ত ইদেশ ভৰপূৰ দস্যু তস্কৰেৰে।
নাজানোঁ কি কুক্ষণত,
কল পদাৰ্পণ ইস্থানত, শুনোঁ লোকমুখে,
নিয়োজিছে গুপ্তচৰ মণিৰ সন্ধানে;
ইচ্ছা, মণি কৰিব হৰণ।

প্ৰসেন—কত পালে ইসৱ বাৰতা?

সত্ৰাজিত—কত ভুৱা দিলে মোক,
দেখুৱালে প্ৰলোভন কত,

কলে দিওঁ কৌস্তুভ ৰতন,
বিনিময়ে তব মণিবৰ ।

প্ৰসেন—আহিছিল দেখোঁ দাদা,
দিম বুলি মণি ইটো,
কৃষ্ণদেৱ-পদকমলত ।

সত্ৰাজিত—ভ্ৰান্তি, অতি ভ্ৰান্তি,
দূৰ হল এতিয়া সি ভাৱ ।
সূৰ্য্য-প্ৰভা সম আভা এই ৰত্নবৰ
পাৰি নেকি দিব অন্য জনে,
পৰাণ থাকোতে কাৰো ?

প্ৰসেন—সিটো ইচ্ছাধীন তব ।

সত্ৰাজিত—কি কৰোঁ উপায় এবে ?
ভ্ৰান্তিবশে আছি,
পৰি গলোঁ সঙ্কটত মণিৰ কাৰণে
প্ৰাণ লই ইস্থানৰ পৰা,
যাওঁ কেনে কৰি,
ভাবি একো নাপাওঁ উপায় ।

প্ৰসেন—দিয়া মণি লই যাওঁ মই,
অতি দূৰ দেশ লই , নাজানিব কোনোজনে ।

সত্ৰাজিত—পাৰিবানে সঁচাকৈয়ে ?

প্ৰসেন—নিশ্চয় নিশ্চয়, এই ৰাতি ভিতৰতে ;
যামগই বহুদূৰ, ধূলি মাৰি

গুপ্তচৰ ময়মত ; নাপাব স ন্ধ
সত্ৰাজিত—সাৱধানে থাকিবা সদায়,
বাওঁতে বাটত নোৱাৰে হৰিব যেন
মণিবৰ প্ৰাণ সম মোৰ।
চোৰময় জানিবা ইদেশ।
প্ৰসেন—পথ এৰি যাম বনে বনে।
সত্ৰাজিত—(মণি হাতত লই)
উচাটন কৰে দেখোঁ মন।
প্ৰসেন—নকৰিবা চিন্তা দাদা ! লই যাম এতিয়াই
নিৰাপদে, এৰি এই দেশ তস্কৰৰ।
সত্ৰাজিত—নিয়া লগে দুই চাৰিজন,
অনুগত অনুচৰ অতি সাৱধান ;
কৰা যাত্ৰা এতিক্ষণে,
আহিছে দ্বাৰকানাথ মণিৰ সন্ধানে।
প্ৰসেন—(সেৱা কৰি) যাওঁছে এতিয়া দাদা !

[প্ৰস্থান।

সত্ৰাজিত—[স্বগতঃ] ভাগ্য ভাল, মণি লই কৰিলে প্ৰস্থান,
প্ৰসেন ভয়াই মোৰ।

শ্ৰীকৃষ্ণৰ প্ৰবেশ—

শ্ৰীকৃষ্ণ—কি সৌভাগ্য দ্বাৰকাৰ ;
সত্ৰাজিত হেন মহাৰাজে
দিলেহি চৰণ-ধূলি !

নাই যদি বাধা একো,
শুনোঁচোন কিবা হেতু হল আগমন।
সত্রাজিত—দেশ দৰশন, মৃগয়া কাৰণ
আহিছিলোঁ; বৰ্ত্তমান
পথশ্ৰমে ক্লান্তহেতু
বাহিৰিলোঁ বায়ু সেৱনৰ মনে।
শ্ৰীকৃষ্ণ—শুনিছোঁ কৰিছে লাভ স্যমন্তক মণি
জ্যোতিৰ্ম্ময় সূৰ্য্যসম;
আছিছে নে লগত সি ৰত্নবৰ?
সত্রাজিত—[ইফালে সিফালে বিচাৰি চাও কৰি]
আচৰিত, অতি আচৰিত,
কিবা হল মণি মোৰ;
নিলে কোনে? সৰ্ব্বনাশ হল দেখোঁ আজি।
শ্ৰীকৃষ্ণ— কাৰ সাধ্য নিব মণি,
প্ৰভাকৰ সম দীপ্তি যাৰ
ক'ত লুকুৱাব তাক?
সত্রাজিত—নিশ্চয় ৰাখিছে পুতি গোবৰ-দামত।
শ্ৰীকৃষ্ণ— অসম্ভৱ কথা ইটো,
বৰ্ত্তমানে মোৰ, দ্বাৰকাবাসীয়ে
নকৰে ইমান সাহ।
সত্রাজিত—সকলো সম্ভৱ ই দেশত
চোৰ ৰাজা, চোৰ মন্ত্ৰী,

চোৰ তাৰ যত সভাসদ,
প্ৰজাগণ আৰু ।
নহলেনো উপস্থিতি মাত্ৰে মোৰ
কি কাৰণে কৰে আহি মণিৰ সন্ধান ?

শ্ৰীকৃষ্ণ— বৰ কটু বাক্য ইটো, মহাৰাজ !
নোশোভে মুখত তোমাহেন সদাশয় জনে ।

সত্ৰাজিত—নাথাকোঁ মুহূৰ্ত্ত এক ই ৰাজ্যত ;
কৰিলোঁ কঠোৰ তপ মণিৰ কাৰণে,
লভিলোঁ দুৰ্ম্মূল্য ৰত্ন ;
সূৰ্য্যদেৱে দিলে দয়া কৰি ;
পাপী চোৰে নিলে তাকে চুৰি কৰি,
বঞ্চনা কৰিলে মোক ।

শ্ৰীকৃষ্ণ— থাকা যাৱা ইচ্ছাধীন তব ;
দ্বাৰকাবাসীৰ নাই লাভ-ক্ষতি তাত :
নাই বাঞ্ছা মণিৰ কাৰণে ।

সত্ৰাজিত—যাওঁ মই এতিয়াই । [প্ৰস্থান]

শ্ৰীকৃষ্ণ— [স্বগতঃ] মোহ, অতি মোহ !
কি সাধ্য বুজিব নৰে মায়াৰ ছল । !
বেষ্টিত মানস যবে বিষয়-বাসনা ;
ভুলে মোক ভুলে দেৱ-দেৱী ;
স্বাৰ্থে কৰে অন্ধকাৰ তাৰ দুনয়ন ।
আহিছিল সত্ৰাজিত সমৰ্পিব মণি,

নেদেঁা যদি মুক্তি তাক—
পাব কৰি বিষয়-বাসনা,
মিছা হব মুক্তিনাথ নাম।
অন্তৰি বাৰে বাৰে সম্যকে বুজিছোঁ,
কি বেদনা পায় জীৱে;
কত ব্যথা পাওঁ মই জীৱৰ কাৰণে,
কিমতে বুজিব তাক অল্পমতি নৰে। [প্ৰস্থান]

চতুৰ্থ গৰ্ভাঙ্ক।

বনপথ—বালকগণ।

গীত—চোৰা, আমি কেনে মজাৰ ছলি;
ক্ষীৰ, ননী খাই পুৰাতে আহোঁ স্কুলক যাওঁ বুলি;
চোৰা আমি কেনে মজাৰ ছলি।
বাটত চোৰাও বুট ভাজা, আহা কেনে মজা!
দিনৰ দিনটো খেদাও খালি খিন্দো খিতৌ কৰি।
গধূলি বেলা ঘৰক যাওঁ, ছিলঠ কিতাপ ছাতত থওঁ,
তোখ লাগ্‌ছি মাই বুলি চমুই দেওঁ কান্দন জুৰি।

১ম বালক—পাত খিলা, মাৰোঁ লাই।

২য় বালক—[কড়ি মুঠা চটিয়াই দি] ক, কোনটো ঠুকিম। মোৰ এই দাগাটো জানিবা কাএঙাৰ চৌবাশীৰ দাগা। সি তোৰ কড়ি ফুটাইছে এবিৰ।

৩য় বালক—একু, দুকু, তিনা, চাৰা, পাখোল, ছোল ভোল, বাটা ।

৪র্থ বালক—জিলিকি জিপৌ পৌ, খাওঁ কি নাখাওঁ অলপকে ভিজো, অলপকে ভিজো, অলপকে ভিজো ।

৫ম বালক—গুড় গুড় গুড়, গুড় গুড় গুড্ড্, গুড় গুড় গুড্ড্ ।

৬ষ্ঠ বালক—কুট, কুট, কুট, কুট, কুট, কুট, কুট, কুট, কুট, কুট, কুট, কুট, ।

কুমাৰৰ প্ৰবেশ—

কুমাৰ—চাইঁত ! মই হাতত এই, জিয়া সূৰ্য্যটো লই আহিছোঁ । কোনোবাই এনে মণি দেখিছনে ?

১ম বালক—ক'ত পালা কুমাৰ ?

কুমাৰ—এক ৰজাৰ ভায়েক আছিল; দেই । সি এই মণিধাৰ পিন্ধি মৃগয়া কৰিবলৈ গইছিল । সিংহীনীয়ে বনত তাক মাৰি মণি লই পলাল । পিতাদেৱে দেখা পাই তাইক মাৰি মণিধাৰ লই আহিল ।

২য় বালক—বেচ হল । আন্ধাৰত সূৰ্য্য উঠিব ; আমি ইয়াৰ পোহৰত ৰাতিও খেলিবলৈ পাম ।

৩য় বালক—কোনোবাই আমাৰ হাতৰ পৰা কাঢ়ি নিবহি পাৰে ; বলাইক ঘৰাঘৰি যাওঁ এতিয়া ।

[সকলোৰে প্ৰস্থান]

সত্ৰাজিতৰ প্ৰবেশ—

সত্ৰাজিত—[স্বগতঃ] বৰ চালাকিতহে মণিটো আঁত-ৰাইছোঁ; নহলে আজি কাঢ়ি নি নিশ্চয় উগ্ৰসেনক ভেটিলে হয়। এতিয়ামানে প্ৰসেনে নিশ্চয় ৰাজধানী পালে গৈ। উঃ ৰাম! দ্বাৰকাখান কি লুতিয়াৰৰ দেশ; কোনোমতে কাণে কাণ মাৰিহে সাৰি আহিলোঁ।

দূতৰ প্ৰবেশ—

সত্ৰাজিত—তই দেখো এইখিনি পালিহি: প্ৰসেনক ক'ত এৰিলি? সি নগৰলৈ গোৱা নাই নে কি?

দূত—স্বৰ্গদেৱ! যুৱৰাজ যে ক'ত আছে সেই কথা-টোকে কোৱা মস্কিল। তইন সি সোধে তাকে কব পাৰোঁ।

সত্ৰাজিত—কি কৰ?

দূত—তাকেই কৈছোঁ।

সত্ৰাজিত—দগাবাজি এৰ; প্ৰসেনক কত এৰিলি ক।

দূত—(মুখ খুকাই খজাই) বোধ হয় এতেবেলি বৈতৰণী পাৰ হল। নহলেও সুতাৰ সাঁকো এৰাই গৈছে।

সত্ৰাজিত—মণি কি হল?

দূত—তাৰ য'ক যাবৰ মন আছিল ত'কে গল। মণি চল বস্তু; সি সদায় এক ঠাইত নাথাকে। আপোনাৰ তাত আছিল, আপোনাৰ পৰা ভায়েকে পালে। ভায়েকে মণিৰ নিমিত্তে প্ৰাণ এৰিলে, মণিৰৰ গহন বনত গোসাই যথা ইচ্ছা গতি কৰিলে।

সত্ৰাজিত—'খবৰদাৰ'.; মোৰ 'মেজাজ' ভাল নহয় ঠাট্টা মস্কৰা নকৰ; পোন কথা ক; নহলে মূৰ যাব।

দূত—মূৰ গোৰাৰ যোল আনা ভয় আছে বুলি বঢ়িয়াকৈ বুজ পাং। ঠাটা মস্কৰা নহয়; ঠিক কথাকে কৈছোঁ।

সত্ৰাজিত—সচাঁ ক, নহলে মূৰ নাথাকে। (তৰোৱাল উলিয়াই)

দূত—যি দেখিছোঁ তাকেহে কব পাৰোঁ; মইতো মিছা মাতা নাই।

সত্ৰাজিত কি দেখিছিলি কচোন।

দূত স্বৰ্গদেৱ! ভায়েকে চিকাৰ কৰোঁ বুলি বনত সোমাল; কিন্তু শেষত সিংহীনীয়ে তেওঁকহে চিকাৰ কৰিলে।

সত্ৰাজিত—মণিটো কি হল?

দূত—কেনেকৈ কওঁ এতিয়া?

সত্ৰাজিত -কেনেকুৱা সিংহীনীজনী।

দূত—ঠিক সিংহীনীৰ নিচিনা।

সত্ৰাজিত—তাইৰ মূৰত মৈৰাৰ পাখা দেখিছানে?

দূত উহুঁ, নাই দেখা।

সত্ৰাজিত—নিশ্চয় দেখিছ। তাই সিংহীনী নহয়; দ্বাৰকাৰ কৃষ্ণ; বুজিছ! সিংহীনীৰ ৰূপ ধৰি মোৰ ভাইক মাৰি মণি চুৰি কৰিছে। মই যদি সত্ৰাজিত হওঁ, মণি আদায় কৰিছে এৰিম।

দূত—স্বৰ্গদেৱৰ কথানো মিছা হব নে? কৃষ্ণয়ে হব পায়।

সত্রাজিত—বাৰু—'মণিটো মোক দে'—বুলি কোৱা তই শুনা নাই নে ?

দূত—একো কোৱা নাই ; মাত্র হুঁঃ বুলি ঘাড়দেনাত পৰাহে দেখিছোঁ।

সত্রাজিত—কইছিল ; তই শুনাহে নাই ।

দূত—হব পাৰে ।

সত্রাজিত—ক' মণি খুজিছিল বুলি ; নহলে তোৰ মূৰ ভাঙ্গিম ।

দূত—হয় ; মণি খুজিছিল ।

সত্রাজিত—ক তাইৰ মূৰত মৈৰাৰ পাখা আৰু হাতত বাঁহী আছিল ।

দূত—আছিল স্বর্গদেৱ ।

সত্রাজিত—ঠিক, হৈছে ; আৰু এতিয়া সাক্ষী কৰি ।

দূত—অলপ অপেক্ষা কৰক ; মই কথাটো ভালকৈ গাওৱাই লওঁ । সাৱধানে তালিম নিদিলে কওঁতে লৰক-ফৰক হব পাচে । এই সিংহানীয়ে বাঁহী বাজায় বুলি কব লাগিবনে কি ?

সত্রাজিত—ওঁ, কৰি, বাহী বাজায় আৰু নাচে ।

দূত—পিচে তুই ভৰিৰে নাচে না চাৰি ঠেঙ্গেৰে নাচে বুলি কম ? মই হলে সিংহানাৰ চাৰিখান ঠেং দেখিছোঁ।

সত্রাজিত—কোনো কথা নাই ; কেতিয়াবা দুই ভৰিৰে নাচে ; কেতিয়াবা চাৰি ভৰিৰে নাচে বুলি কবি ।

দূত—ভাল ; কোৱা হব । আৰু কি কব লাগে শিকাই দিয়ক ।

সত্ৰাজিত—আৰু কবি—গৰু চাবে ; বাঁহী বাজায়, গোবৰ সানি মণিটো লুকাই থৈছে ; তই নিজ চকুৰে দেখিছ ।

দূত—তাৰ পাছত কি কব লাগিব ?

সত্ৰাজিত—কবি, যে কৃষ্ণই মণিটো নিছে ; অন্য কেৱে নিয়া নাই ।

দূত—মই দেখা সিংহীনীটো কিন্তু বগা ; এই কৃষ্ণ-সিংহীনীটো বগা বুলি কম নে কলা বুলি কম ?

সত্ৰাজিত—'কলিয়াই' নিছে বুলি কবি । নহয়—কলা সিংহীনীয়ে নিছে বুলি কবি । হেৰ ! ভাইৰ হাত কেইখান দেখিছিলি ?

দূত—হাত নাই ; চাৰিখান ঠেংহে দেখিছোঁ ।

সত্ৰাজিত—ঠেং নহয় হাত ; কৃষ্ণ বৰ যাদুকৰ । মায়া কৰি তোৰ চকুত ধূলা মাৰিছে ।

দূত—হব পাৰে ।

সত্ৰাজিত—হব পাৰে নহয় ; হয়ে । হাত মাত্ৰ দুখান, দৰ্জ্জিৰ হতুৱাই কাপোৰৰ আৰু দুখান হাত লগাই লৈ চতুৰ্ভুজ মূৰ্ত্তি গোৱালক দেখুৱাই মযে ঈশ্বৰ বুলি বাখ্যানা কৰি ফুৰে ।. হায় ! হায় ! মৰিব লাগি হাবকাক কিয় আহি-ছিলোঁ, প্ৰসেনটোও অতি মূৰ্খ । ধৰা মাত্ৰকে দেখোঁ লৰ মাৰি পলোৱা হলেই হয় ।

দূত—কেনেকৈ পলাব স্বৰ্গদেৱ! যাড়দেনাত পৰা মাত্ৰকে যি ধনঞ্জয় কামোৰ বহালে।

সত্ৰাজিত—নিশ্চয় ই কৃষ্ণৰ কাম। চো, তই সাক্ষী কৰি; মই মণি আদায় কৰিহে এৰিম।

দূত—যুৱৰাজকো ফিৰাই আনিব স্বৰ্গদেৱ! তেওঁ বৰ দুখ পাইছে। পাচে এই সিংহীনীৰ লেজৰ কথা একো নকলে দেখোন। তালিম ভাল নহলে সাক্ষী কওঁতে ভুল-চুক হব পাৰে।

সত্ৰাজিত—সঁচা লেজ নহয়; ভুৱা দিবলই লগাই লোৱা লেজ। আহ! ইয়াত বহি থাকাৰ সকাম নাই। সাক্ষী কওঁতে কথাখিনি ঠিকেঠাকে কবি; নহলে তোৰ মূৰ ভাঙিম।

দূত—মূৰ ভাঙিব নালাগে: থাকক মোৰ মূৰটো। যি কব লাগে শিকাই দিব; মই ঠিকেঠাকে কম।

[দুইৰো প্ৰস্থান।

দ্বিতীয় অঙ্ক

প্ৰথম গৰ্ভাঙ্ক।

দ্বাৰকাৰ পথ-পাৰ্শ্বস্থ নদাইৰ ঘৰ।

[চোৰক ধৰি লই নদাইৰ প্ৰবেশ]

নদাই—কটাৰপো বন্দি; ইমানলৈকে পালিনে দিন-দুপৰীয়াই ঘৰত সোমাই চুৰি কৰ; তোৰ ইমান সাহ! (চৰ মাৰে)

চোৰ—বকাই! নামাৰিবা, ৰবাচোন; মোৰ কথাখিনি আগ-গুৰি মাৰি শুনি লোৱা।

নদাই—দগাবাজ, লুতিখোৰ! তোৰ আকৌ কথা শুনিব লাগে। খেকৰখোৱা গোলাম! হেৰ মাণিকীৰ মাক! বেগতে ঢেঁকীখোৱাটো লই আহ। দিওঁ ইয়াক ভালকৈ এপালি।

ঢেঁকীখোৱা আৰু বাঢ়ণী লই মহিমাৰ প্ৰবেশ—

মহিমা—লোৱা এইটো (খোৱা দিয়ে)। এইখন আকৌ-ককাৰেৰ ঘৰ পাইছিলি কঙ্গাল! আমি আছি নাপাওঁ যদি তই দেখোঁ আজিতে আমাক বাটৰ ভিকহু কৰিলি হয়। এই-খন মুখেৰে চুৰি কৰি এই দেশত ভাত খাবলৈ আছিছ? [বাঢ়ণীৰে মুখত কোবায়]

চোৰ—নামাৰিবা মাই! মই চোৰ নহয়।

মহিমা—এঃ] মোৰ সোণামুৰাটো ; চুৰি কৰিবলৈ আহা নাই ; আমাৰ ঘৰত ক'ত কি আছে চাবলৈহে আহিছিল। আমি বেয়াকৈ খোৱাৰ কাৰণে আমাৰ বস্তু-বাহানিখিনি তাৰ ঘৰক নি ভালকৈ থবৰ নিমিত্তে লইছিলহি। নাক কাটা, নিধক। তোৰ লাজ আছে না ইজ্জাত আছে। [ঢেঁকী-খোৱাৰে মুখত খুন্দিয়াই]

১ম নগৰীয়াৰ প্ৰবেশ—

১ম নগৰীয়া—হেৰ নদাই! কি হৈছে ? কিহৰ এই-খন হাই ?

নদাই—চোৱাহি ককাই ! এই খেকাৰখোৱাই আজি আমাৰ সৰ্ব্বনাশ কৰিছিল আৰু কি। কথমপিহে ভগবানৰ কৃপাত ধাননিৰ পৰা তিৰী-মৰদ আহি কাণে কাণে ধৰা পেলালোঁ। এইখনি তোমাৰ চুৰি কৰা হাত। চাওঁ, ইয়াক ভালকৈ আধাবত্তা এপালি দি খেদাওঁ। [হাতত কোবায়]

চোৰ—বধ লাগে ককাই ! নামাৰিবা। প্ৰাণ ভিক্ষা মাগিছোঁ।

২য় নগৰীয়াৰ প্ৰবেশ—

২য় নগৰীয়া--হেৰ। আধাখুন্দা কচু আনি নাকে মুখে ভালকৈ এপালি দে। কটা ; কৰ কুকুৰ ক'ত চক চুৰা কৰিবলৈ আহিছে।

চোৰ—ককাইহঁত ! মোৰ কৰলগীয়া কথাখিনি শুনি যি হয় তাকে কৰা ; তোমালোকক সেৱাটি কৰিছোঁ।

৩য় নগৰীয়াৰ প্ৰবেশ—

৩য় নগৰীয়া—কটা ; ধান বানোতে শিয়ৰ গীত গায়, কি চাইছ আৰু ? বহা ইয়াক ভালকৈ পাটচেবেক। আন, কালা বাঁহ ; ভালকৈ এচেপা দি খেদাওঁ।

১ম নগৰীয়া—নহয়, ল ইয়াক ঢেঁকীশাললৈ। চুৰি কৰা হাতৰ আঙ্গুলীকেটা খুন্দি ভালকৈ খেতালি দিওঁ ; চো।

[ঢকিয়াই]

২য় নগৰীয়া—ৰহচোন বাৰু ; ই কি কয় আগে শুনিয়ে লওঁ। পাঘা একখৰ আনি এই তাতখুঁটাটোত ভালকৈ বান্ধহঁত। [বান্ধে]

৩য় নগৰীয়া—সঁচা কবি ; নহলে দিম ভালকৈ বহায়। তই ক'ৰ মানুহ ?

চোৰ—সম্প্ৰতি মই ইয়াতে থাকোঁ।

নদাই—দেখাদেখিকে তই বঙ্গাল। ইয়াৰ মানুহ তই কেনেকৈ হলি ?

চোৰ—হওঁতে আগেয়ে মই বৃন্দাবনতহে আছিলোঁ, ইয়ালৈ আহিবৰ বেচি দিন হোৱা নাই।

১ম নগৰীয়া—কাৰ ঘৰৰ নো তই ?

চোৰ—প্ৰথমে মই শ্ৰীকৃষ্ণৰ লগত গৰু চাৰিছিলোঁ।

২য় নগৰীয়া—এৰা ; এতিয়াহে বুজিছোঁ। বোলো তাৰ লগে লগে চুৰি বিদ্যাটিও তেওঁৰ পৰা শিকিছ।

চোৰ—নহয় ৰুকাই মই চোৰ নহয়।

৩য় নগৰীয়া— চোৰ নহয়; সাধু; ঐ সাধু। বোলোঁ বৃন্দাবনত ক্ষীৰ, ননী, গাখীৰ, গুৰ একো নথলে; তাৰ পাচত ধৰিলে চুটি কাপোৰত। ধৰা পৰে, কিল খায়; তথাপি লাজ নাই।

১ম নগৰীয়া—তই শুনা নাই হবলা; হলপতে সেই কিবা সত্ৰাজিত বোলা ৰাজাৰোৰ কিবা বোলে সূৰ্য্য হেন মণি এটা দেখাদেখিকৈ ডকাদি লই গল। সি 'বাচাৰি' বাটে বাটে কান্দি ফুৰিছে।

চোৰ—নহয় ককাই! লাওপানী অলপ খাইছিলোঁ, গাত ভাল 'হুচ' নাছিল। এইখন আমাৰে ঘৰ বুলিহে সোমাই-ছিলোঁ। বস্তু-বাহানি হলে একো লোৱা নাই। এওঁলোক তিৰী মৰদ আছিহে এইবিলাক মোৰ গাত বান্ধি দি চোৰ সজাইছে।

নদাই—হাৰামজাদ! উলটি চোৰে গিৰীকে বান্ধ (মাৰে)

৩য় নগৰীয়া —ই কথাই কথা নহয়। চো', ইয়াক ৰাজাৰ ঠাইত সোধাই দিওঁগৈ। দগাবাজ তই আমাক আইনৰ 'নজিৰ' দেখাবলৈ আহিছ। [থকনিয়ায়] (চোৰক লৈ সকলোৰে প্ৰস্থান।)

দ্বিতীয় গর্ভাঙ্ক ।

দ্বাৰকাৰ ফুলনি-ঘৰ ।

ৰুক্মিণী আৰু সখিগণ ।

কাহাৰুৱা—খেমটা ।

হালি জালি নাচি চলা গোষ্ঠবিহাৰী ;
চঞ্চল ৰীতি নীতি বুজিব নোৱাৰি ।
বঙ্কিম ভঙ্গি আখি, মাথাত মৈৰাৰ পাখি,
পিন্ধিয় পীত বাস, অধৰে মধুৰ হাস ;
নুপুৰ ৰুণু ৰুণু, ঘুগুৰা ৰুণু ঝুনু
নাচাচোঁ গোৱাচোঁ বংশী বজোৱাচোঁ
ধীৰে ধীৰে বাই চলা মধুৰ মৰলি ।

ৰুক্মিণী—সাৰ্থক জনম সখি !
দেখুৱালি বৃন্দাবন লীলা ।
ৰাখাল বালক সাজি,
পুলকে পুৰিল মন,
কি আনন্দধাম বৃন্দাবন !
পৰিল মনত
ইতিবৃত্ত কথা পুৰাতন ।
চৰালে গোধন ৰাখাল বালক সনে,
ভণ্টা খেৰি খেলালে হৰষে ;
হাতে হাতে ধৰি, নাচিছিল তালে তালে,

কৰিছিল, মাতোৱাল কানন গোধন,
সুললিত বংশীৰ নিনাদে
বাই শিঙ্গা, বেণু, কৰতাল ।
ঘেৰি গোপীসবে, বাজালে চাপৰি,
নচুৱালে কানু, মোহন মুৰতি চাৰু ;
নয়ন কটাক্ষবাণে মোহিছিল গোপী-মন ;
মথিছিল প্ৰেম-দধি আৰু ।

সখি—কৃষ্ণ-প্ৰেমে মজিছা নিশ্চয় ।

ৰুক্মিণী—কুপোদক প্ৰেম মোৰ ; তুলনায়
গোপী প্ৰেম সাগৰ সঙ্কাশ ।

সখি—জানে প্ৰেম শ্যামে তোৰ,
বিলায় দুহাতে অকাতৰে ;
খুজি লোৱা চৰণত ধৰি ।

ৰুক্মিণী—পাহৰোঁ সকলো কথা,
দেখিলে চকোৰ শ্যাম ;
নোলায় মুখত,
লাজে মুখ কৰে আবৰণ,
মৰমৰ কথা ৰই যায় মৰমতে ।

সখি—নেদেখোঁ উপায় তেন্তে ।

ৰুক্মিণী—শ্যাম নামে ভৰে প্ৰাণ মোৰ ।

সখি—তেন্তে কিয় মৰা পুৰি ঈৰ্ষা অগনিত ?

ৰুক্মিণী—গোপী প্ৰেম অতিব মহৎ ;

ইচ্ছা পুজি গোপীকা-চৰণ,
শিখি লওঁ সি মোহিনী ;
যাৰ বলে আকৰ্ষিলে শ্যামচান্দে মোৰ ।

শ্ৰীকৃষ্ণৰ প্ৰবেশ—[সখিৰ প্ৰস্থান ।

ৰুক্মিণী—কি কাৰণে উচাটন দেখোঁ আজি মন ?
কৰিলেকি দাসী, অপৰাধ চৰণত ?
অথবা অযত্ন কৰি দিলে দুঃখ ?
নহলে কিয়নো মম হৃদয়ৰ শশী
থাকিব উদাস মনে ?
কেশ ছিঙ্গি দেওঁ চৰণত,
সাধোঁ ধৰি দুখানি চৰণ,
কোৱাচোঁন কিয় এনে ব্যাকুল অন্তৰ ?

শ্ৰীকৃষ্ণ—দেখিছিলোঁ নষ্টচন্দ্ৰ গোস্কুৰ জলত,
তাৰ ফলে অপবাদ ৰটিছে দুৰ্জ্জনে ।

ৰুক্মিণী—কিবা সেই অপবাদ ?

শ্ৰীকৃষ্ণ—উপাসিলে সূৰ্য্যদেৱে সত্ৰাজিত ৰাজা,
পালে বৰ স্যমন্তক মণি ;
দিলে আজ্ঞা প্ৰভাকৰ,
প্ৰদানিবা মণি গই দ্বাৰকানাথক ,
বাঞ্ছা যদি অপাৰ্থিব ৰত্ন-লাভ ।
দিওঁ বুলি মণি মোক,
আহিছিল ইস্থানক,

পথে মায়া ফিৰালে মানস ;
পলুৱালে মণি লই গল ৰাতাৰাতি,
প্ৰসেন ভ্ৰাতৃয়ে তাৰ ।
পশি ঘোৰ কাননত, মৃগয়া কাৰণে,
দৈবে মৰে সিংহীনী হাতত ,
নাহিক সন্ধান মণি গল কোন ভিতি,
হৰিলে বা কোন জনে ,
দুষ্ট লোকে দেই অপবাদ,
বধিলোঁ ভ্ৰাতৃক তাৰ,
হৰি নিলোঁ মণি ৰত্ন বুলি ।

ৰুক্মিণী –ঘোৰ অপবাদ ইটো,
কোন পাপী জানো
ৰটিলে ইকথা, অনাহক
তব নাম কৰি কলঙ্কিত ।

শ্ৰীকৃষ্ণ—যাওঁ, কৰোঁ মণিৰ সন্ধান,
কৰো দূৰ ই কলঙ্ক ঘোৰ ।
মাগিছোঁ বিদায় ; নাবাধিবা
তুমি মোক সাদৰা লাহৰি ।

ৰুক্মিণী—জগত জীৱন তুমি অগতিৰ গতি,
কাৰ সাধ্য বাধে ইচ্ছা তব ?
কিন্তু প্ৰভো ! কলঙ্ক কালিমা সানে

তোমাৰ মুখত, ইটো অধিকাৰ
শুনো কোনে দিলে তাক ?

শ্ৰীকৃষ্ণ—দিছোঁ৷ ময়ে ; কাঢ়ি লওঁ এবে যদি
সেই অধিকাৰ, মিছা হব মোৰে কথা ।

ৰুক্মিণী—হ'ল বা কিমান দিন নষ্টচন্দ্ৰ দেখা ?

শ্ৰীকৃষ্ণ আহিছিলোঁ৷ সন্ধিয়া বেলিকা,
হঠাৎ দেখিলোঁ৷ চন্দ্ৰ গোক্ষুৰ জলত,
হোৱা নাই বহুদিন ।

ৰুক্মিণী—হায় বিধি ! অপবাদ পালে
প্ৰাণনাথে—অৰ্দ্ধাঙ্গিনী বুলি
পালোঁ৷ ময়ো তাৰ ভাগ ।

শ্ৰীকৃষ্ণ - অপবাদ চিৰ সহচৰ মোৰ ।
নকওঁ অন্যৰ কথা ; তুমিয়েতো
মাতা মোক 'মন চোৰ' বুলি ।

ৰুক্মিণী—সঁচা ইটো কথা নাথ !

শ্ৰীকৃষ্ণ—নহঁো৷ কিন্তু সিদ্ধহস্ত অতি ;
কৰোঁ৷ চুৰি, পৰোঁ৷ ধৰা ততালিকে,
পলাব খুজোতে বান্ধে প্ৰেমপাশে
মেৰিয়াই, ধৰি নেই, সমীপক কৰি দেবতাৰ ।

ৰুক্মিণী—নেদেখিলে মুখচন্দ্ৰ তব—
দিনতে আন্ধাৰ দেখোঁ,

কি সতে নো বঞ্চো নাথ
অবিহনে নয়ন চকোৰ ?

শ্ৰীকৃষ্ণ—আহিম বেগতে ফিৰি, নকৰিবা অনুযোগ,
নেদেখি তোমাৰ, সুহাস বদন চাৰু;
পলকে প্ৰলয় দেখোঁ,
দশোদিক দেখোঁ অন্ধকাৰ ।

[প্ৰস্থান ।

ৰুক্মিণী—(স্বগতঃ) শশধৰ !
তুমি হেনো হৃদয় আনন্দকৰ,
তেন্তে কি কাৰণে, হলা এনে নিৰদয়;
পেলালা কালিমা ৰেখা সতী-হৃদয়ত,
অকাৰণে দিলা তাপ বিচ্ছেদ বহ্নিৰ ?
ভালেতো কলঙ্ক ৰেখা তোমাৰ বুকত,
সঙ্গিনী যামিনী ঘোৰ,
কৰে সতী কলঙ্কিনী,
আন্ধাৰ কাল সাপিনী, কলঙ্ক আকৰ;
তুমি যত দোষৰ আকৰ,
ভালেতো নিষ্প্ৰভ মুখ সূৰ্য্য কিৰণত ।

[প্ৰস্থান

তৃতীয় গৰ্ভাঙ্ক।

সত্ৰাজিত ৰাজাৰ অন্তঃপুৰ।

সত্ৰাজিত আৰু ৰাণী।

সত্ৰাজিত—কি কৰোঁ কলৈ যাওঁ কিহব উপায় ?
অনুতাপ অনলত পোৰে দেখো মন।
হায় বিধি!
ইটো তাপ লেখিছিলি কপালত মোৰ!
হল সৰ্ব্বনাশ—
অতি কষ্টে সিচিলোঁ সাগৰ,
কৰিলোঁ মাণিক লাভ,
তাৰ তৰে অবশেষে,
হেৰুৱালোঁ ভাতৃ হেন নিধি!
উঃ! ঘোৰ পৰিতাপ ইটো,
ফাটে বুক, যায় প্ৰাণ;
কওঁ কাক? ক'ত শান্তি পাম মই!
কৰোঁ যদি পৰবাণ, পাতলিব হৃদিখেদ
কিন্তু ভয় পাচে মোৰ হৰায় জীৱন।
সকলো মৰণশীল,
নাই মৃত্যু শ্ৰীকৃষ্ণৰ জানো?
ৰাণী—কি ভাবিছে মহাৰাজ!
কিয় এনে বিষণ্ণ বদন?

সত্ৰাজিত—থাকা মনে মনে, শুনে পাচে কোন জনে
ইদেশতো আছে জানা বহু শত্ৰু মোৰ ।
ৰাণী—কি শুনিব মহাৰাজ ?
সত্ৰাজিত—হ'ক ভূমিকম্প মহা, যাক ধৰা ৰসাতলে,
মৰোঁ সৱে লগে ভাগে,
নাই কাম জীৱনত আৰু ।
ৰাণী—কিবা দুখ হল অকস্মাৎ ?
সত্ৰাজিত—আছে প্ৰাণভয়, কৰোঁ যদি পৰকাশ,
অতি গোপনায় কথা ;
নিয়োজিছে বহু গুপ্তচৰ,
কৃষ্ণচন্দ্ৰ সুচতুৰে ।
ৰাণী—কোৱা বাৰু শুনোঁ তাক ।
সত্ৰাজিত -কৰা সত্য ৰাখিবা গুপুতে !
ৰাণী—পতি হাক অৱহেলি কৰোঁ যদি পৰকাশ
নৰকত স্থান হক মোৰ ।
সত্ৰাজিত—তিৰা জাতি অতিকে চঞ্চলা,
নহয় বিশ্বাস মোৰ ।
ৰাণী—অবিশ্বাস কৰিবৰ নেদেখোঁ কাৰণ ।
ধৰি চৰণত, সত্যে সত্যে তিনি সত্য কৰি কলোঁ,
ৰাখিম গুপুতে, নুশুনিব কোনো জনে ।
সত্ৰাজিত—ভাবি চোৱা আৰু বাৰ ।
ৰাণী—নাজানিব ছায়াটিয়ে মোৰ ।

উৎকণ্ঠিত মন অতি, যাব প্ৰাণ
নকৰা বিলম্ব ; ধৰি তব পদ
কৰিছোঁ কাকুতি ; কোৱা শুনোঁ একবাৰ ।

সত্ৰাজিত—কি কম সি কথা আৰু,
কৃষ্ণ যত অনৰ্থৰ মূল ।

ৰাণী—কি কৰিলে কৃষ্ণ-চন্দ্ৰে ?

সত্ৰাজিত—কলে হ'ব আত্মহত্যা কাজ ।

ৰাণী—নকলেও হব তিৰী-বধ ।
ভাবিছেনে বুলি মোক এনুৱা অবোধ !
প্ৰকাশি গুপুত কথা, ডুবাম স্বামীক মোৰ,
বিপদৰ সাগৰ-জালত !

সত্ৰাজিত—হৰি ! হৰি !
বধিলে ভাতৃক মোৰ,
কাঢ়ি নিলে মণিৰত্ন আৰু ;

ৰাণী—কোনোবা পাতকী সিটো ?
বিগৰ্হিত কৰে হেন কাম !

সত্ৰাজিত—সাবধান ! নকৰা প্ৰকাশ ইটো কথা ;
কৃষ্ণচন্দ্ৰে নিলে মণি,
বধিলে ভাতৃক মোৰ, কানন মাজত ।
হায় বিধি !
কিয় হল সৰ্ব্বনাশ মোৰ ? [প্ৰস্থান]

ৰাণী—দোহিঐ কতনো মাৰোঁগে মই !

কিবা হেতু কৰিম প্ৰকাশ
ইহেন গুপুত কথা ? কৰি স্বামী বধ
মুচিম সিন্দুৰ ফোটা নিজ কপালৰ—
সধবা নিচান !
হায় নিদাৰুণ বিধি !
কাঢ়ি নিলে সুঠাম দেৱৰ মোৰ ।
ক্ষুদ্ৰ হৃদি মোৰ, নোৱাৰে সহিব
ইটো গুৰু দুঃখ-ভাৰ ;
কৰিলে প্ৰকাশ পাতলিব বোঝা সঁচা ;
ভয় আছে পতিপ্ৰাণ-নাশ ।

(সহচৰীৰ প্ৰবেশ)

সহচৰী—সজল নয়ন মন অতিকে চঞ্চল,
কিবা হেতু ৰাজ-ৰাণী আজি ?
হল কিবা অমঙ্গল, অথবা অসুখ শৰীৰৰ ?

ৰাণী—নকওঁ ইকথা কাকো ;
গোপনীয় অতি গুৰুতৰ ।

সহচৰী—কিবা কথা মহাৰাণী !

ৰাণী—হল সৰ্ব্বনাশ আজি মোৰ,
নাই কাম জীৱনত আৰু ।

সহচৰী—কৰি অনুগ্ৰহ ই দাসীৰ প্ৰতি,
কোৱাচোন শুনোঁ কিবা অশুভ সংবাদ ।

ৰাণী—নকৰোঁ প্ৰকাশ কাৰো ঠাই

অতি ভয়ঙ্কৰ কথা ; উগুল থুগুল মন,
নাই সুখ-শান্তি ; আছে ভয় জীৱনৰ ।

সহচৰী—প্ৰকাশিলে দুঃখ কথা,
লগৰীয়া জনৰ আগত,
কৰে সমবেদনা প্ৰকাশ ;
যন্ত্ৰণা লাঘৱ হয়,
মনেও সকাশ পায়,
ভাগ কৰি সমানে সমানে ।

ৰাণী—নোৱাৰিবা গুপুতে ৰাখিব তাক,
অজানিতে কৰি পৰকাশ
মাতিবা বিপদ-কূল ।

সহচৰী—কিয় হেন নিৰদয় হলা আজি ৰাণী ?
গুৰুৰ শপত, ইষ্ট দেৱতাৰ আক,
মুশুনিব কোনো জনে,
নোলায় মুখৰপৰা, গোপনীয় হয় যদি কথা ।

ৰাণী—মাৰি দেৱৰক মোৰ, নিলে
কৃষ্ণে চুৰি কৰি, স্যমন্তক মণি ।

সহচৰী—আইঐ মৰিলোঁ দেহি—
কৃষ্ণ চোৰ !
নিলে চুৰি কৰি, মণিহৰ,
মাৰি প্ৰসেনক ;
দিয়া ফাট বসুমতী লুকাওঁ ইমুখ,

শান্তি লভোঁ তোমাৰ বুকত ।

ৰাণী—থাকা মনে মনে ।

সহচৰী—অসম্ভৱ মনে মনে থাকা ;
হল হৃৎকম্প উপস্থিত—
তৰতৰি কঁপে হৃদি প্ৰাণৰ ভয়ত,
মন বেজাৰত আৰু ।

(২য় সহচৰীৰ প্ৰবেশ)

২য় সহচৰী—কিবা হল সখি ?

১ম সহচৰী—হল সৰ্ব্বনাশ, বধি যুবৰাজে,
নিলে কৃষ্ণে মণি চুৰি কৰি ।

২য় সহচৰী—সঁচানে ইকথা সখি ?

১ম সহচৰী—সত্য, অতি সত্য,
জানা তাক সাৰোগত কৰি ;
অভিপ্ৰায় আছে কিবা মিছা কবলই ?

২য় সহচৰী—হৰি ! হৰি ! সৰ্ব্বনাশ কথা !
চোৰ কৃষ্ণ, কৰে মণি চুৰি,
মাৰি ভাতৃ আমাৰ ৰাজাৰ !
বইছে চকুৰ লো, নেদেখো একোকে,
কি কৰোঁ কলৈ যাওঁ ?
শান্তি পাওঁ কত ?
চোৰ কৃষ্ণে সৰ্ব্বনাশ কৰিলে আমাৰ ।

[সকলোৰে প্ৰস্থান]

চতুৰ্থ গৰ্ভাঙ্ক ।

শয়ন-কক্ষ ।

জাম্বুবতী আৰু সখিগণ ।

গজল—কাৎাকৱা ।

কি সুৰ বাজে মম হৃদি মাঝে
মই জানোঁ মোৰ মনে জানে ।
কাৰ প্ৰতিমাটি, হৃদয়ত থাপি,
পূজোঁ নিতি নিতি, নাপাওঁ ভাবি ।
যেতিয়া ভাবোঁ, নাপাওঁ তোমাক,
তেতিয়া হৃদে, উঠে ঘূৰ্ণিপাক ;
সি কি দুঃখ বোঝা, তুমিত নুবুঝা,
মই বুঝোঁ মোৰ মনে জানে ।

জাম্বুবতী—দেখিলানে সখি ! কি সুন্দৰ,
মদন-মোহন, বঙ্কিম নয়ন,
শ্যাম কলেৱৰ, চাৰু সুহাস বদন ?
বিৰাজে অধৰ, শ্ৰীধৰ প্ৰবাল যথা,
সম ভ্ৰূৱ মদনৰ ধনু ;
আজানুলাম্বিত ভুজ—বলিত বৰ্ত্তুল !
কৰি-কৰ সম উৰু,
কটিত শোভিছে পীতবাস ;
বাজে কণু-ঝুনু

চৰণে নুপুৰ তাৰ,
বন-মালা শোভিছে গলত,
আকুঞ্চিত কেশদাম ছুলিছে মাথাত ;
দীপ্তি কৰে শিৰ তাৰ,
কিৰীটি মোহন ময়ুৰৰ ;
ধায় শিঙ্গা বংশী কৰতাল ;
ৰূপ তাৰ অনঙ্গ মোহন !

সখি—কি ক'লা, নুবুজোঁ একো ?
জাম্বুবতী—নেদেখিলা তেন্তে তুমি ?
সখি—নুশুনিলে সবিস্তাৰ,
বুজিব নোৱাৰোঁ একো ।
জাম্বুবতী—এই মাত্র দেখা দিলে মোক ;
ধৰিলে সাৰথি,
কৰিলে উন্মাদ প্ৰাণ,
ঢালি প্ৰেম-বাৰি হৃদয়ত ।
কলে কথা—
"শুনা বৰ নাৰী,
তব পাণি-লাভ-আশে,
কৰি পাচ, জগতৰ ঐশ্বৰ্য্য বিভূতি ।
আসিয়াছোঁ বহু কষ্ট কৰি ;
কৰা গলে বৰ মাল্য দান,
হৃদয় ঈশ্বৰী মোৰ ।"

সখি—দেখিলা সপোন জানো,
	শুনা নাই এনে ৰূপ কাৰো।
জাম্বুৱতী—সঁচাকে দেখিছো দিঠকতে।
সখি—ৰাজ-বালা তুমি,
	শোভে সঁচা এনে কথা তোমাৰ মুখত।
	হলে অন্যজনী,
	বুলি পাগলিনী,
	ডকালেহঁতেন ৰাজ-প্ৰাসাদৰ পৰা।
জাম্বুৱতী—নামানে প্ৰবোধ মনে।
সখি—নাৰী আমি, বুজোঁ ভাল নাৰীৰ বেদনা;
	নহবা উন্মনা, সুধি চাওঁ মানুহকো।
	যাৰ ঘৰ দ্বীপ-দ্বীপান্তৰ,
	উলিয়াৰ যেনে তেনে, সিটো মনচোৰে।
	ফুটন্ত গোলাপ-পাহি,
	গল জয় পৰি দেহি।
	পশিল প্ৰাণত তোৰ প্ৰেমৰ গৰল;
	কৰিলে উতলা মন বিষ অগনিয়ে।
		২য় সখিৰ প্ৰৱেশ—

২য় সখি—কিবা বাৰ্ত্তা সখি।
১ম সখি—কুৱঁৰীয়ে দেখিলে সপোন;
	কামদেৱ সম সুঠাম যুৱক এক,

গলে জ্বলে বন-মালা
বায় বংশী কৰতাল মধুৰ মুৰলি,
কলে আহি—"দিয়া মোক বৰ-মাল্য-দান ।'

২য় সখি—নঁচানে ই কথা সখি ?

১ম সখি—অসম্ভৱ ইটো ৰূপ—
প্ৰহেলিকা, তৰঙ্গৰ ৰেখা ;
যৌৱন-মদন ভৱে মত্ত হেতু,
চিত্ৰিত মানস-পটে,
ৰাজ কুমাৰীৰ, ইটো ভাব .
নকৰা ই কথা কাকো,
গাব কুৎসা খল-দুষ্ট জনে ;
ব্যথা পাব মহাৰাজে, ৰাজৰাণী আৰু ।

জাম্বুবতী—ভমৰিম দেশ, দেশান্তৰ,
নগৰ, প্ৰান্তৰ, গহণ কানন আৰু ;
সুশুনিম কাবো হাক,
বিচাৰিম পিতপিত কৰি,
সব দ্বীপ-দ্বীপান্তৰ ;
নাপাওঁ তথাপি যদি নয়নৰ মণি,
দিম ঝাপ সাগৰ-জলত ;
নিবাৰিম জ্বালা ইটো মোৰ হৃদয়ৰ ।

২য় সখি—ধৈৰ্য্য ধৰা মাস একমান ;
কৰোঁ আমি সকলোৱে গুপুতে সন্ধান তাৰ ।

গজল—কাহাকৰা ।

বৰ আশা কৰি, বিচাৰি বিচাৰি,
নাপাওঁ তোমাক কিয়নো ?
মিলনৰ আশা, অকণো নাই যদি,
মাথোঁ দৰশন মাগিছোঁ ।
বিফল জীৱন, নিৰাশ পৰাণ,
বিফল জনম, তোমা অবিহনে,
আঁখি ভৰি চাওঁ হৃদয়ে ধিয়াওঁ
বাৰেক দেখাটি দিয়াচোঁ ।

তৃতীয় অঙ্ক ।

প্ৰথম গৰ্ভাঙ্ক ।

বনস্থল—শ্ৰীকৃষ্ণ আৰু সৈন্যগণ ।

শ্ৰীকৃষ্ণ—মৰমৰ যদু সেনাগণ !
অশ্ব-পদ-চিহ্ন অনুগামি,
ধৰি বন পথ,
পশিলোঁ কাননে,
বধি যত বন-জন্তু ; নাপালোঁ সন্ধান একো,
কি হল মণিৰ, কোনে নিলে তাক ।

দেখিছোঁ সুৰঙ্গ পথ,
অনুমান মণি চোৰ গল এই ভিতি;
চাওঁচোন একবাৰ,
আওৱাই এই পথে,
কৰা অৱস্থিতি তোৰাসবে
ই থানত; ফিৰি নাহোঁ যানে মই।

সৈন্য—শুনিছোঁ সুৰঙ্গ ইটো,
জাম্বুবান ভালুক ৰাজাৰ।

শ্ৰীকৃষ্ণ—বিনা জাম্বুবান, অন্যজনে
নোৱাৰে হৰিব মণি
সূৰ্য্য সম জ্যোতি আছে তাৰ।
ফুৰি, স্বৰ্গ-মৰ্ত্ত্য-ৰসাতল, তিনিও জগত,
বিচাৰিম পিত পিত কৰি,
উলিয়াম মণিবৰ,
মুচিম কলঙ্কৰেখা কপালৰ মোৰ

সৈন্য—যাওঁ আমি লগত তোমাৰ।

শ্ৰীকৃষ্ণ—নাই আৱশ্যক বৰ্ত্তমানে।
যেতিক্ষণে হব বংশীধ্বনি,
আওৱাবা দলে বলে তুৰন্তে তেতিয়া।

[শ্ৰীকৃষ্ণৰ প্ৰস্থান

দ্বিতীয় গৰ্ভাঙ্ক।

অন্তপুৰ।

জাম্বুবান আৰু জাম্বুবাণী।

ৰাণী—অবধান মহাৰাজ!
কিবা হল কুমাৰীৰ মোৰ?
মলিন বিষণ্ণ মুখ, ক্ষীণ দেহা অতি,
ছাড়ে ঘনে দীৰ্ঘশ্বাস,
ৰুচি নাই অন্নপানে তাৰ।

জাম্বুবান—মাতা সহচৰী তাৰ
শুধোঁ কিবা অসুখ শৰীৰে।

[সখিৰ প্ৰবেশ—

ৰাণী—শুনা সহচৰী!
কি কাৰণে কুমাৰীৰ বিষণ্ণ বদন?

সখি—শুনোঁ তেওঁ দেখিছে সপোন,
দেখিছে মুৰলিধৰ, বঙ্কিমনয়ন,
বন বিহাৰীৰ—
হইছে উন্মনা অতি, সিদিনাৰপৰা।

জাম্বুবান—ভজোঁ মই ৰাম ৰঘুমণি,
হৃদয়ত ধৰোঁ তাৰ শ্ৰীপাদকমল,
নাই দেৱ ৰঘুপতি বিনে।
জটাধাৰী, বনচাৰী, সীতাপতি ৰাম

হয় ইষ্টদেৱ মোৰ;
অন্যদেৱ নুপূজোঁ কদাপি।
ৰাণী—নিষ্কলঙ্ক শশীকলা সম,
বাৰে কন্যা দিন দিন,
হক সয়ম্বৰ তাৰ,
আনা বৰি যতেক কোৱঁৰ।
জাম্বুবান—মাতোঁ ৰাজবিপ্ৰ এক,
চাই শুভ দিন,
কৰো সয়ম্বৰ কাজ।
[সকলোৰে প্ৰস্থান

তৃতীয় গৰ্ভাঙ্ক।

ফুলনী।

(গান গাই গাই মালিনীৰ প্ৰবেশ)

পিলু-ভৈৰবী—খেমটা।

দুখিনী মালিনী মই, আপোনাৰ কেউ নাই;
সজাওঁ ফুলৰ ডালা ৰাজ-ঘৰে দুই বেলা
যাৱা আহা কৰোঁ সদা ৰাজ নন্দিনীৰ ঠাই।
মল্লিকা মালতী যাঁতি, সেৱালি বকুল যুঁতী,
সুগন্ধি গোলাপ আৰু মালঞ্চত শোভা পায়।

মালিনী—ওঁ তাই! কোনজনা গোঁসায়ে নো আজি মোৰ পিনে মুখ দাঙি চালে? ফুলনিখন দেখোঁ একেবাৰে

জকমকীয়া হৈ আছে! আই ঔ! এই শুকাই যোৱা গোলাপ জোপাও দেখোঁ আজি ফুলে নধৰা হৈ ফুটিছে।

[সোণপাহীৰ প্ৰবেশ—

সোণপাহী—বাইদেউ! চোৱাহি এই ফালে। পুখুৰীটো দেখোঁ পদুম ফুলৰে জকমকায়া হৈ আছে।

মালিনী—এৰা আই! আজি মোৰ কপাল ফুলিছে। ফুল ফুল কৰি বিচাৰি মৰোঁ। ফুল বুটলি দিনৰ দিনটো টলো টলোকৈ ফুৰি হাইৰাণ। আজি কেই দিনমানৰ পৰা কুৱৰীৰ কিবা হৈছে। ইমান যত্ন কৰি মালা গাঁথি লই যাওঁ; তথাপি তেওঁৰ 'পছন্দ' নহয়। চাই আৰু মুখলৈ দলিয়ায়। ফুলত ৰোলে কাটা আছে; কিন্তু।

সোণপাহী—তই গম পোৱা নাই হবলা, বাইদেউ! প্ৰেম কাঁইটে বিন্ধি ৰাজকুৱৰীৰ হিয়া থকাসৰকা কৰিছে। এইবিলাক তেওঁৰ কি ভাল লাগিব।

মালিনী—এৰা আই! সুখীয়াই চাউল খায় ৰঙত; দুখীয়াই চাউল খায় খকত। আমি হোৱা হলে নাকচুলি কাটি ঘোল ঢালিলে হই। যাওঁচোন ৰাক আজি, এই নকৈ ফুলা গোলাপৰে মালা এধাৰি লই। চাওঁচোন 'ৰঙত' নো কি আছে। [দুয়ো ফুল তোলে]

ফুলৰ ছায়াত বেশধাৰী শ্ৰীকৃষ্ণক দেখি—

সোণপাহী—বাইদেউ! লৰি এই ফালে আহা; এইটো কোন চোৱাহি।

মালিনী—বোপা তুমি কৰ লৰা ? কি নাম ? কিয় আহিছা ?

কলিয়া—বাইদেউ ! মোৰ নাম কানু। মই গোৱাল এটাৰ ঘৰত গৰু চাৰি ভাত খাইছিলোঁ। সাউদ এজনে পাই বৃন্দাবনক লই যাওঁ বুলি আনিলে। এই নগৰত তেওঁ কেনি গল তৎ ধৰিব নোৱাৰি আহি ২ এইখিনি পাইছোঁহি।

সোণপাহী—আই ও দেহি ! কথাখিনি কেনে মিঠা। পাচে ইয়াত কি কৰিছা ?

কলিয়া—ফুল গোটাচেৰেক পাই মালা এধাৰি গাথিলোঁ। নিয়া তুমিয়ে ; মই নো ইয়াৰে কি কৰিম ?

মালিনা (মালা চাই আচৰিত হই) স্বগতঃ বিনসূতাৰ মালা এইধাৰ ! চাওঁচোন বাৰু কি কয় ; ৰাজকুৱৰীকে দিওঁগৈ।

কলিয়া—বাইদেউ ! মই এতিয়া যাওঁ দেই।

মালিনা—কলৈ যাবা সোণাই। মুখখনি শুকাই আছে। জা-জলপান এটা খোৱাহি।

কলিয়া—আকৌ এবাৰ সদাগৰকে বিচাৰি যাওঁ। কিজানি লগ পাওঁতো নাপালে হলে তোমাৰ ইয়ালৈকে আহিম দেই।

[মালিনী আৰু কলিয়াৰ প্ৰস্থান—

সোণপাহী— সুৰট খাম্বাজ খেমটা।

আই ও দেহি কি দেখিলোঁ

অপৰূপ কাননে।

নিজনে গঢ়িছে বিধি ই নবীন ৰতনে ॥
শৰতৰ পূৰ্ণশশী, ভূমিত বা পৰিল খসি
অনঙ্গ বা অঙ্গ ধৰি বিহৰিছে ভূবনে ।

[প্ৰস্থান

চতুৰ্থ গৰ্ভাঙ্ক ।

সুৰঙ্গ-পথ ।

শ্ৰীকৃষ্ণৰ প্ৰবেশ—

শ্ৰীকৃষ্ণ—ভক্তাধীন প্ৰাণ মোৰ,
বিক্ৰীত ভক্তৰ ঠাই,
কান্দে প্ৰাণ ভক্তৰ কাৰণে ।
গুণবতী জাম্বুবতী কৰিছে আহ্বান
অতি সকাতৰে ;
যদিচাৎ হওঁ নিৰ্বিকাৰ,
নহল শকতি,
ছিঙ্গিবৰ সংসাৰ-বন্ধন,
বেচিকৈ গোবালে আক ।
যুগে যুগে ধৰোঁ অৱতাৰ
ভক্ত-বাঞ্ছা পুৰাবৰ হেতু ;
বাঞ্ছে যদি মোক্ষ তাকো,
দিওঁ অতি অকাতৰে,

ভক্ত মোৰ জীৱ-প্ৰাণ,
ধৰোঁ প্ৰাণ ভক্তৰ বাবে।

জাম্বুসৈন্যগণৰ প্ৰবেশ—

সৈন্য—তই কোন ?

শ্ৰীকৃষ্ণ—মই মানুহ।

সৈন্য—যাব কলৈ ?

শ্ৰীকৃষ্ণ—নগৰলৈ।

সৈন্য—হুকুম নাই।

শ্ৰীকৃষ্ণ—কোনেনো তোৰ হুকুম খুজিছে। ভালুকৰ হুকুমলৈ মানুহে অপেক্ষা কৰে জানো ?

সৈন্য—বুক ফালিম নখেদি; বৰ বাৰাবাৰি নকৰিবি। মজা পাবি।

শ্ৰীকৃষ্ণ—তোক নো ভয় কৰিছে কোনে ?

সৈন্যগণ—সঁচা কৈছ নে ? বহু তেন্তে। মোৰ নখ কিমান চোকা বুজি ল।

শ্ৰীকৃষ্ণ—আহ বাৰু।

সৈন্যগণ—মাৰ, মাৰ, মাৰ, ধৰ; নেৰিবি।

[শ্ৰীকৃষ্ণৰ বাণ নিক্ষেপ—

সৈন্যগণ—মৰিলোঁ; উহ, ৰাম: প্ৰাণ যায়। কোন ক'ত আছ বোপাইহঁত! সোণাই আহ; ধৰ; মৰিলোঁ।

[প্ৰস্থান

পঞ্চম গৰ্ভাঙ্ক

বাজ দৰবাৰ। জাম্বুবান বহি আছে।

দূতৰ প্ৰবেশ—

জাম্বুবান—কিবা সমাচাৰ দূত ?

দূত—অতিব অশুভ !

এক নৰবৰ,
অনুপম সুঠাম শৰীৰ
শ্যাম কলেবৰ, দীঘবাহু,
লাগে বেশধাৰী প্ৰায়,
বংশীধৰ, ধনুধৰ,
পশি সুৰঙ্গত, দিছে আহি হানা।
ভাঙ্গি থানা মিলালে পৰাথ।
দিলে যুদ্ধ প্ৰাণপণে,
আমাৰ কটক যত,
মুখ্য মুখ্য সেনাপতি সবে।
দেখিলোঁ ক্ষণেকে,
উৰুৱালে বাণে তাৰ,
শিমলুৰ তুলা যেন পচোৱা বতাহে।
নোৱাৰিলে হব স্থিৰ,
বাণৰ আগত তাৰ, কোনোজন,
ৰণভঙ্গ, পৃষ্ঠভঙ্গ অস্থিৰ সেনানি।

জাম্বুবান—মায়া কৰি কোন দেৱ জানো,

আহিছে মণিৰ হেতু ;
পাব সেকা ।
অজয় অমৰ জাম্বুবান,
অক্ষয় শৰীৰ : নাই পৰাজয় ;
সীতাপতি ৰঘুপতি, বীৰ শিৰোমণি
ৰাম প্ৰসাদত নডৰাওঁ কাকো ।
যোৱা তুমি.
কৰোঁ মই যুদ্ধ আয়োজন,
এতিয়াই পশি ৰণভূমি, ৰোধিম সি বীৰে ;
মলটিলে পাত আজি যমৰাজে তাৰ ।

২য় দূতৰ প্ৰৱেশ—

২য় দূত—ধন্য বীৰ ধন্য শিক্ষা তাৰ
বাণে বাণে কৰে অন্ধকাৰ,
নভোমাৰ্গ শূন্যপথ ;
ৰোধে বায়ু,
নয় ঝঞ্ঝাবাত কোনো থানে ,
উঠে অগ্নি ঝলকে ঝলকে,
বাণৰ মুখত তাৰ ,
পোৰে যত সেনা
দাবানলে শুষ্ক বন যথা ।
তিলেক ভ্ৰূভঙ্গ তাৰ নাই সমৰত.
ৰইছে দণ্ডায়মান সিংহ শিশু যথা,

শিবাগণ মাজে ;
অথবা সুমেৰুগিৰি অচল ভিতৰে,
নাহিকে নিস্তাৰ কাৰো সমৰত তাৰ !
জাম্বুবান—যাওঁ ; পশোঁ সমৰ ভূমিত,
ফালোঁ বুক,
পিওঁ তাৰ যতেক ৰুধিৰ ;
দৰ কৰোঁ হৃদয়ৰ শুলশুলি গত ।

[প্ৰস্থান

ষষ্ঠ গৰ্ভাঙ্ক ।

জাম্বুবতীৰ শয়নকক্ষ ।

ঝিঝিট—খাম্বাজ ।

জাম্বুবতী—গতিৰ গতি প্ৰাণ-পতি ;
দিয়া মতি ৰতি শ্ৰীচৰণে ।
জুড়াওঁ তাপিত হিয়া,
তব দৰশনে পৰশনে ।
[স্বগতঃ] হব পায় সঁচা মালিনীৰ সমাচাৰ ।
ঠান-ঠগ ৰেহ-ৰূপ সকলো মিলিছে ।
হল জানো মুকলি কপাল ।
শুনিলে দেৱীয়ে জানো কাতৰ প্ৰাৰ্থনা মোৰ ।
কৰিছোঁ মানস,
যদি ফলে ই সপোন,
পূজিম দূৰ্গাক তেনে বলি-বিধানেৰে ।

সখিৰ প্ৰবেশ—

সখি—নহয় অলিক, সপোন তোমাৰ সখি,
শুনো চৰমুখে,
আহিছে মুৰলিধৰ, বঙ্কিম নয়ন,
পিন্ধি গলে বনমালা ;
ৰূপ তাৰ মদন মোহন ।
লযলাসে মুগ্ধ কৰে মন
নোৱাৰি ফিৰাব আঁখি
নপলায় তৃষ্ণা দেখি মন চকোৰৰ ।

জাম্বুৱতী—দেখিছানে নিজে সখি ।

সখি—নাই দেখা ;
নাজানিলোঁ আহি ইস্থানক
ল'লে সমৰ ঘোৰ সুৰঙ্গ পথত ।
শুনো বাৰ শাগ্ৰহস্ত অতি,
পৰাজিলে যত সেনাপতি,
লগালে হুলক, ভাঙ্গি থানা
আজ্ঞা চাওঁ গই আমি
মিছা সঁচা বুজোঁ এতিয়াই ।

জাম্বুৱতী—কৰা কৃপা দশভুজা,
কৰা মোৰ মনোৰথ সিদ্ধি ।

[দুইৰো প্ৰস্থান

চতুৰ্থ অঙ্ক।

প্ৰথম গৰ্ভাঙ্ক।

ৰণস্থলি।

জাম্বুবান আৰু শ্ৰীকৃষ্ণৰ প্ৰবেশ—

জাম্বুবান—কোন তুমি ?

শ্ৰীকৃষ্ণ—কিবা আৱশ্যক ?

জাম্বুবান—কোৱা সঁচা, নহলে লম প্ৰাণ।

শ্ৰীকৃষ্ণ—পশু তই কোনে গণে তোক ?

জাম্বুবান—এৰি ভাৰিভুৰি কৰি সঁচা,
আহিছিলি কিয় ইস্থানক,
অথবা লম প্ৰাণ, বজ্ৰনখে চিৰি।

শ্ৰীকৃষ্ণ—বন্যপশু, বধোঁ কত মৃগয়াত সদা,
কোনে ভয় কৰে তোক ?
নোৱাৰিবি অকণো,
আছে যদি সঙ্গে কোনোজন, মাত তাকো।

জাম্বুবান—চাওঁ, তই কত বলবান
ভাঙ্গি ঘাড় পিয়াওঁ ৰুধিৰ
যত শিবা কুকুৰক।

[উভয়ৰ যুদ্ধ আৰু প্ৰস্থান-

জাম্বুবানৰ প্ৰবেশ—

জাম্বুবান—[স্বগতঃ] অতি অদভুত,
বিপৰীত কথা ইটো ;
পৰাজয় বালক-ৰণত ।
চৰ চাপৰত,
মৰিল ৰাক্ষস কত
কোনে পায় আদি অন্ত তাৰ ?
মূৰ্চ্ছা গল দশানন,
কপি থৰহৰি, এক চাপৰতে মোৰ ;
বজ্ৰনখে বিদাৰোঁ পৰ্ব্বত ।
একচৰে কুম্ভকৰ্ণে
দেখিছিল তমোময়,
ৰঘুবীৰ-চৰণ প্ৰসাদে ;
অভেদ্য শৰীৰ মোৰ বজ্ৰৰ পৰায় ।
নহয় বালক
হব কোনো বেশধাৰী দেৱ
সমকক্ষ ৰাঘবেন্দ্ৰ বলা
আলোড়িত মন মোৰ,
দেখি তাৰ প্ৰসন্ন বদন ;
নোৱাৰোঁ বুজিব,
কৰে জানো কোন দেৱে মায়া ।

শ্ৰীকৃষ্ণৰ প্ৰবেশ—

জাম্বুবান—কোন্না তুমি কোন জন?

শ্ৰীকৃষ্ণ—আগে শুনোঁ, কৰা নে স্বীকাৰ,
পৰাজয় হলোঁ বুলি।

জাম্বুবান—জয় পৰাজয় ইটো দৈৱৰ লিখন;
গুৰু প্ৰসাদত,
থাকোঁতে দেহত প্ৰাণ,
শিখা নাই জাম্বুবানে
পৰাজয় মানি লবলই।

শ্ৰীকৃষ্ণ—আহা তেন্তে চাওঁ আৰোবাৰ।

জাম্বুবান—ক্ষন্তেক অপেক্ষা কৰা,
যাবৎ নুপূজোঁ মই,
ইষ্টদেৱ ৰঘুবাৰ মোৰ।
পূজা সাঙ্গ কৰি
প্ৰবেশিম ৰণভূমি,
পঠিয়াম আহি তোক যমপুৰলই।

শ্ৰীকৃষ্ণ—যোৱা বাৰু। [জাম্বুবানৰ প্ৰস্থান-
শূন্যৰপৰা মালা শ্ৰীকৃষ্ণৰ গলত পৰে—

শ্ৰীকৃষ্ণ—[স্বগতঃ] পৰম বৈষ্ণৱ জাম্বুবান
নিতে পূজা কৰে ভক্তিভাৱে;
ভক্তাধীন প্ৰাণ মোৰ,
কিনি ললে ভকতিৰ বলে।
দিছে মালা,

ধৰোঁ তাক হৃদয়ত অতি সমাদৰে,
কৰোঁ আশীৰ্ব্বাদ চিৰঞ্জিৱ হ'ক সিটো।

জাম্বুবানৰ প্ৰবেশ--

জাম্বুবান [স্বগতঃ] মায়াবী ই নৰ দেখো
কৰিলে হৰলা চুৰ,
হটো মালা ইষ্টদেৱ শ্ৰীৰামচন্দ্ৰৰ!
[খুটাই] ক'ত পালা মালা ইটো?

শ্ৰীকৃষ্ণ—এতিয়াত দিলা মোকোঁ তুমি।

জাম্বুবান—ময়ে দিছো?

শ্ৰীকৃষ্ণ—পাহৰি গলানে এতিক্ষণে,
চকু মুদি কৰিলি ধিয়ান;
মাতিলি কাতৰস্বৰে
"দানজনে প্ৰভো!
দিয়া স্থান চৰণত" বুলি।
অথবা ইমালা তোৰ
কিবা হেতু কৰিম ধাৰণ
বনমালা সম গলে মোৰ?

জাম্বুবান—কোন তুমি?

শ্ৰীকৃষ্ণ—যাক তুমি পূজা কৰা নিতে।

জাম্বুবান—পূজো মই ৰাম ৰঘুমণি।

শ্ৰীকৃষ্ণ—মিছা সিটো কথা;
নিতে দেখোঁ পূজা মোক।

জাম্বুবান—বৰ দগাবাজ তই ।

শ্ৰীকৃষ্ণ—দুচক্ষু থাকোতে,

নহওঁ অন্ধলা তোৰ দৰে ।

জাম্বুবান—কি কৰি শুনোচোঁ আৰু বাৰ ?

কোন তুমি ?

শ্ৰীকৃষ্ণ—চিনা দেখোঁ বহুদিনপৰা,

জানা মোক ভালৰূপে ।

জাম্বুবান—কালিৰ ছৱালি তুমি ।

শ্ৰীকৃষ্ণ—নিচিনিলা তেনেহলে ।

জাম্বুবান কোন তুমি ?

শ্ৰীকৃষ্ণ—ভাবাচোন, মনত তোমাৰ.

মাতিছিলা কাক, করুণ আসুৰে,

দেখা দিয়া তাহি বুলি ।

অথবা কি আবশ্যক মোৰ

আহিবৰ ইস্থানক লাগি ।

পৰেনে মনত

লঙ্কা নগৰত, সাগৰ তীৰত,

কৰিছিলোঁ প্ৰতিজ্ঞা তাহানি,

সি কাৰণে দিছো দেখা, স্মৰণ মাত্ৰকে তোমাক।

জাম্বুবান—জানা নেকি ভোজবাজী তুমি ?

শ্ৰীকৃষ্ণ—বন্ধ তোৰ ভক্তি দোলে মাথোঁ ।

জাম্বুবান—ৰামচন্দ্ৰ ইষ্টদেৱ মোৰ ;

অন্যদেৱ নকৰোঁ পূজন
নোনোৱাওঁ শিৰ আৰু চৰণত কাৰো

শ্ৰীকৃষ্ণ—ময়ে ৰামদেৱ তোৰ।

জাম্বুবান—দেখুওৱা তেনেহলে,
সি ৰূপ তোমাৰ,
নব-দূৰ্ব্বাদল-শ্যাম।
ধনুধাৰী, জটাধাৰী, বল্কল বসন;
মাতা কপি সেনা,
দিয়া থানা, সাগৰ পাৰত,
কান্দা আৰু
কোনে নিলে মোৰ সীতা বুলি।

শ্ৰীকৃষ্ণ—জানে মোক সবে,
ভক্ত-বাঞ্ছা কল্পতৰু বুলি।
ভক্তৰ অধীন মই,
সদা আজ্ঞাকাৰী তাৰ,
বাঞ্ছা তব হওঁক পূৰণ।
কৰা ধ্যান চক্ষু মুজি
চোৱাচোন দেখানে সিৰূপ।

জাম্বুবান—ভকতৰ মনোবাঞ্ছা,
পূৰ্ণ কৰা ভকতবৎসল;
দেখুওৱা যুগল মূৰতি,
দূৰ হ'ক হৃদয়ৰ খেদ।

শ্ৰীকৃষ্ণৰ অন্তৰ্দ্ধান—[পট পৰিবৰ্ত্তন]

ৰাম-সীতাৰ যুগল মূৰ্ত্তি—

জাম্বুবান—ভৈৰবী—চৌতাল।

অৰুণ উদিল, ভুবন গাইল, জয় জয় জয় ৰাম,
আকাশ ছায়াই, উষা দেবী গায়, শ্ৰীৰাম মধুৰ নাম।
শতদল জলে, ফুটে পৰিমলে, ৰাম ৰাম বোলে অলি,
ৰাম নাম শুনি, উদ্দেশে নলিনী, ৰাম পাৱে পৰে ঢলি।
ফুটে ডালে ডালে, ঠোকে ঠোকে ফুল, পখী মাতে ৰাম বুলি,
সকল জগতে, ৰাম ৰাম ডাকা, ভকতি কপাট খুলি।

দ্বিতীয় গৰ্ভাঙ্ক।

ৰাজ আলি।

সদানন্দৰ প্ৰবেশ—

সদানন্দ—নোৱাৰি বোপাই! আৰু খোজ কাঢ়িব। ভাৰি দুখন তেনেই জঠৰ হল। ফটুৰই ফাটৰ বিষত প্ৰাণ যায়। কত ঠাইত ভৰমিলো; কতো শুং সূত্ৰই নোলাল। কাতৰ কৰি কত মাতিলোঁ। তথাপি দেখা নিদিলে। তেন্তে মানুহৰ কথা মিছা। কৃষ্ণ বোলে বৰ দয়ালু; মাতিলেই আগতে ভটং কৰি ওলায়। সব মিছা, সব দমবাজী। যাওঁ ঘৰলৈকে। ঘৰত জানোঁ শান্তি আছে? কিমান শুনিম্বা বামুণীৰ হেন্‌হেনি পেন্‌পোন? ইটো নাই সিটো নাই; ই

লাগে, সি লাগে ; কিমাননো শুনিবা ? ভাল লগ পোৱা হলে কৃষ্ণক বিচাৰি এবাৰ বৃন্দাবনলৈকে যাবৰ মন। চাওঁ-চোন বাৰু ; ইয়াতে অলপ সঠ্ঠি লওঁ। কৃষ্ণৰ চৰণে কি জানি লগৰীয়া মিলায়ে। এই লৰাটো ইমান ঠান্নুৱা ! সুধোঁচোন বাৰু ; কি জানি কিবা খবৰ পাওঁয়েই।

শ্রীকৃষ্ণ—আতা ! ইয়াত কি কৰিছা ?

সদানন্দ—তুমি জানো মোক চিনি পাইছা ?

শ্রীকৃষ্ণ—কিয় নাপাম তোমাক চিনি। তুমি কানু-ৰাম শৰ্ম্মা নোহোৱা জানো ?

সদানন্দ—এৰা হয় বাপা ! কানুৰামো বোলে, সদা-নন্দ বুলিও মাতে। বুঢ়া চকুত চলিহাই ধৰিছে ; চিনিবই পাৰা নাই। তুমিনো কোন ?

শ্রীকৃষ্ণ—হওতে তোমাৰ গাত দোষ নাই। আজি কালিৰ ছলি দুই দিনতে ডেকা হই উঠে। চিন ৰাখা টান। তুমি যাক বিচাৰিছা মই সেয়ে।

সদানন্দ—আহা সোণাই ! মোৰ ওচৰত বহা ক্ষন্তেক। তোমাৰ কথাষাৰ শুনি শৰীৰটো শীতল হল। তামোল এখান খাবা জানো ?

শ্রীকৃষ্ণ—দিয়া ; কি কথা আছে ? পাচে আবু ভালে আছে নে ?

সদানন্দ—থইছে ঈশ্বৰে একৰকম।

শ্রীকৃষ্ণ—আতা ! আহা হৈছে বা কি কাৰণে ?

সদানন্দ—মই কৃষ্ণকে বিচাৰি ফুৰিছোঁ। পাচে তোমাৰ নামটো বা কি ?

শ্ৰীকৃষ্ণ—মোৰ নাম কানু।

সদানন্দ—একে নাম।

শ্ৰীকৃষ্ণ—তেন্তে তুমি মোৰ মিতা।

সদানন্দ—থাকা হয় বা কত ?

শ্ৰীকৃষ্ণ—মই যতে পাওঁ ততে থাকোঁ। ঘৰ নাই, দুৱাৰ নাই, আই নাই, বোপাই নাই, ভাই নাই, ককাই নাই; কোনো নাই।

সদানন্দ—আই ঐ দেচি! এনে হেন ঠাকুৰা ডেকাটো দেখিলে মন হৰিষ কৰে। মনটো দেখো পমিযে গল। কথা নহয় অমৃত। বাপা! তুমি বহু ঠাই ফুৰিছা। কৃষ্ণৰ কিবা অনুসন্ধান দিব পাৰানে? মই দেখোঁ বিচাৰি হাইৰাণ হলোঁ।

শ্ৰীকৃষ্ণ—বৰণ অনুসাৰে মোকে কৃষ্ণ বুলি মাতে।

সদানন্দ- পেংলাই নকৰিবা সোণাই! মই বুঢ়া মানুহ।

শ্ৰীকৃষ্ণ—পেংলাই কথা নহয় মিতা! তুমি বিচৰা কৃষ্ণটো হলেময়ে। তোমাৰ দুঃখ দেখিব নোৱাৰি এইখিনি পাইছোঁহি।

সদানন্দ—মোৰ ঈশ্বৰ কৃষ্ণ মাত্ৰ হয়।

শ্ৰীকৃষ্ণ—ময়ো হওঁ।

সদানন্দ—তেওঁ বৰা হয়।

শ্ৰীকৃষ্ণ—ময়ো হওঁ।

সদানন্দ—উহুঁ; মাজতে পাহৰি গলোঁ; তেওঁ কাচ হয়।

শ্ৰীকৃষ্ণ—ময়ো হওঁ।

সদানন্দ—তেওঁ বাঁহী বাজায়; নাচে, গৰু চাৰে; গোৰখীয়া ছলি কান্ধত তুলি লই ফুৰায়। যেয়ে ভক্তি ভাৱে মাতে তেওঁকে মোক্ষ দেই।

শ্ৰীকৃষ্ণ—ময়ো দিওঁ।

সদানন্দ—তেওঁ ভক্তৰ কথা শুনে।

শ্ৰীকৃষ্ণ— ময়ো শুনো।

সদানন্দ—কথাটো বিশ্বাস নহল। বাৰু, কোৱাচোন: সেই বাজাৰ জীয়েকক কিহে পাইছে।

শ্ৰীকৃষ্ণ—কিহে পাব?

সদানন্দ—নাজানা যদি তেন্তে তুমি কিহৰ কৃষ্ণ?

শ্ৰীকৃষ্ণ—জানো· কিন্তু নকওঁ। তুমি জানানে নাজানা আগে তাৰ প্ৰমাণহে লৈছো।

সদানন্দ—বুঢ়া হই মই বহু কথা পাহৰি গইছোঁ। তুমিয়েই কোৱাচোন।

শ্ৰীকৃষ্ণ—মিতা! তেওঁক ডালুৱা বিৰাই পাইছে।

সদানন্দ—কথাটো মনত ধৰিছে। নহলে কেৱল বিৰ-বিৰাকৈ ফুৰে; নাখায়; নলয়; নোশোৱে; কাৰো লগত

কথা নকয়। যিকালে চায় সেইফালে একে থিৰে চায়ে থাকে।

শ্ৰীকৃষ্ণ—দেখনীয়াৰ সমৰথ ছোৱালী ; ধৰিবতো বিৰাই

সদানন্দ—পাচে বিৰাটো খেদিব পাৰিবানে ? জাৰা-ফুকা-মন্ত্ৰ কিবা জানা জানোঁ ?

শ্ৰীকৃষ্ণ—জানোঁ। বেজালি বিদ্যাত মোৰ বৰ নাম।

সদানন্দ—এইফেৰা উপকাৰ কৰা দেউতা ! বামুণীকো সুমতি এফেৰা দিয়া ; নহলে বুঢ়া বামুণ-বধ পাপে চুব। তাইৰ কেৰমেৰীয়া মাতত ঘৰ চাপিবৰ মন নাযায়।

শ্ৰীকৃষ্ণ—বামুণী ধন-সম্পত্তি পালেই সন্তুষ্ট হব। তোমাক বা লাগে কি ?

সদানন্দ—প্ৰভো ! ভাণ্ডনা নকৰিব। ঈশ্বৰ কৃষ্ণৰ শ্ৰীচৰণ বাহিৰে মোৰ অন্য একো আৱশ্যক নাই।

শ্ৰীকৃষ্ণ—মিতা এতিয়া যাওঁহে।

সদানন্দ—কলৈ যাব প্ৰভো ! দাসক অনুগ্ৰহ কৰি যেতিয়া দেখা দিছে, তেতিয়া আৰু লগ এৰোঁনে ?

শ্ৰীকৃষ্ণ—তুমি আগে প্ৰণাম লোৱা ; পিচত যি হয় কৰিবা।

সদানন্দ—প্ৰভো ! ফাকিত আৰু নুভুলোঁ। আপোনাৰ যথা গমন আমাৰো তথা।

শ্ৰীকৃষ্ণ—তুমি ঘৰক যোৱাগৈ। ৰাজাৰ জায়েকক অমাবস্যাৰ ৰাতি, নগৰৰ উত্তৰ ফালে হাবিৰ মাজত থাকা

ঋাত্যায়নী দেবীৰ মন্দিৰক লই যাবা। দেবীৰ কৃপাত তেওঁৰ সকলো অৰিষ্ট দূৰ হব।

সদানন্দ—পাইছোঁ তোমাৰ ফাকিটো ঢকি। ছোৱালী পলুৱাই ফাইদাং মাৰাৰ দিহা কৰিছা। লাভত বুৰা বামুণৰ নাক-কাণ যে যাবই প্ৰাণ লৈও টানাটানি হব।

শ্ৰীকৃষ্ণ—এনে কথা আছেনে মিতা! এতিয়া আহিলোঁহে।

[যাব খোজে

সদানন্দ—পাচে দেখা বা আকৌ হব কেতিয়া?

শ্ৰীকৃষ্ণ—তুমি যেতিয়াই মাতা?

সদানন্দ—স॑চানে?

শ্ৰীকৃষ্ণ—স॑চা; তোমাৰ আগত মিছা কথা নকওঁ।

সদানন্দ—নহয় প্ৰভো! মোক্ষ দিবলৈ আহিছা যেতিয়া একবাৰ তোমাৰ নবদুৰ্ব্বাদলশ্যাম ৰূপ দেখুৱাই ভক্ত বাঞ্ছা পূৰ্ণ কৰা।

শ্ৰীকৃষ্ণ—গোৱা; সেই মন্দিৰতে তোমাৰো মনোৰথ পূৰ্ণ হব।

[উভয়ৰ প্ৰস্থান

তৃতীয় গৰ্ভাঙ্ক।

বন-পথ।

অম্বিকাদেবীৰ মন্দিৰ।

সদানন্দ আৰু জাম্বুবতীৰ প্ৰবেশ--

সদানন্দ—আহক আইদেউ! খোজ দেখোঁ একেবাৰে ঢিলা।

জাম্বুবতী—মই যে একো নেদেখোঁ ; ঘোপমাৰা আন্ধাৰ ! যাওঁ কেনেকৈ ?

সদানন্দ—বাৰু ; মই হাতত ধৰি লই যাম। তেওঁ কিন্তু কইছিল যে বাট-পথ বিচাৰিব নালাগে ; গানৰ শব্দ যিফালে শুনা যায় সেইফালে গই থাকিলে বাটে আপুনি লাগ লব।

[দেৱবালাগণৰ প্ৰৱেশ—

পাহাড়ী-জলদ-একতালা

শুভদিন আজিহে সখি, কৰোঁ আহা কাত্যায়নী ব্ৰত :
অভয়াৰ ৰাঙ্গা পদে জনাওঁ ব্যথা মনৰ যত।
পুজিলে দিক্‌বসনা, পূৰাব মন কামনা ;
মিলি যত ব্ৰজাঙ্গনা, মাগিম পতি মনৰ মত।

[প্ৰস্থান

জাম্বুবতী—দিয়া পদ ছায়া, ত্ৰিনয়না,
তাপিতা তনয়া তব ;
নকৰা বঞ্চনা, দুৰ্গা,
দুৰ্গতি নাশিনী
আশ্ৰিত পালিকা,
অম্বিকা কালিকা, শিৱৰাণী !
আশব কৰাহি দূৰ।

সদানন্দ—ছোৱালী পৈণত। যেন ভটিমাহে গাইছে বামুণ মই ; মোৰ মুখত ইমানখিনি মন মুগ্ধকৰ স্তুতিবাণী

নোলায়। অন্তৰ্য্যামী মায়ে মোৰ মনৰ কথা ধৰি নললে আৰু উপায় নাই।

জাম্বুবতী—শ্মশান বাসীনী, মহামায়া !

মহিষ মৰ্দ্দিনী,
ভীমা ভয়ঙ্কৰী, ঘোৰাননা
ৰণ বিহাৰিণী
দানব দলিনী,
ভূবন ঈশ্বৰী, শিৱজায়া,
কৰা শিৱ ;
আজ্ঞা কৰা স্বামী লাভ মোৰ।

(জয়াৰ প্ৰবেশ—

জয়া—ভক্তিভাৱে দুই জনে
কৰিছা অৰ্চ্চনা, অম্বিকা দেবীক ;
ভাগ্যবান ভাগ্যবতী দুয়ো।
সিদ্ধ হব মনস্কাম,
যোৱা এবে ঘৰলই,
কৰা এই প্ৰসাদ গ্ৰহণ। (প্ৰসাদ দিয়ে।

সদানন্দ—তুই কোন ?

জয়া—মাইৰ কিঙ্কৰী।

সদানন্দ—বান্দ'ৰ কথাতে শ্যাম ! বাৰু আকা ! যা কগৈ ; দেকোঁ আহি একবাৰ দৰ্শন দিয়ক, নহলে বহিলোঁ আৰু ইয়াতে। না, যা কগৈ।

জয়া—কৰা যদি ৰাৰাবাৰি মৰণ নিশ্চয় ।

সদানন্দ—তই ভাবিছ, ভয় দেখুৱাই খেদাব পাৰিবি। বুৰা হৈছোঁ যেতিয়া, আজি মৰিলেও মৰিম, কালি মৰিলেও মৰিম । মৰণলৈ ভয় নাই । তোৰ কথাকে নকওঁ, মোক ইয়াৰপৰা খেদিবলৈ তোৰ চৈদ্ধ পুৰুষৰ ক্ষমতা নাই ।

জয়া—ভৈৰৱ ভৈৰবী গান ইটো,

আগাচোন প্ৰয়োজন
কৰা আহি নিৰ্ম্মালি গ্ৰহণ,
লোৱা ই সিন্দূৰ ফোটা কপালত
শুনিবা মাহাত্ম্য শাৰ কম কাণে কাণে ।

সদানন্দ—শুচ বেটী, যা, মূৰ্ত্তি আন তোৰ ভৈৰৱক । চাওঁচোন কাৰ সাধ্য মোক ইয়াৰপৰা খেদে । ব্ৰাহ্মণৰ ছলি লগুণ হাতত লই গায়ত্ৰীত বহিলোঁ । বাৰু যা, চাওঁচোন, মায়ে আহি মাত লগাইনে নলগায় । বান্দীৰ কথাতে যাম নে ?

(জয়াৰ প্ৰস্থান) [শীকৃষ্ণৰ প্ৰবেশ—

শ্ৰীকৃষ্ণ—কি কাৰণে স্মৰণ কৰা তুমি মোক ?

জাম্বুৱতী চৰণত মাগো স্থান প্ৰভো !

সৰলা তৰলা আমি ;
শক্তি নাই বুজোঁ তব মায়া ।
দিবানিশি কাতৰ নয়না,
ঝৰে বাৰা নিঝৰিণী প্ৰায় ;

সকাতৰে কৰিছো মিনতি,
হৃদয় ঈশ্বৰ,
অধিষ্ঠান কৰা হৃদি মাজে ;
কত তপ ব্ৰতফলে,
পালো জানো দেখা,
প্ৰাণকান্ত হৃদয়বিহাৰা মোৰ ।

শ্ৰীকৃষ্ণ — বৰিবানে তুমি মোক ?

জাম্ববতী —অন্যথা কি অভিপ্ৰায়
আহিবৰ ইস্থানক লাগি ?
অন্তৰ্যামী তুমি জানিছা মনৰ কথা,
নকৰা চাতুৰি দয়াময় :
বান্ধা তব প্ৰেম-দোলে,
নোৱাৰো সহিব, বিচ্ছেদ বহ্নিৰ তাপ
ধৰি পদে তব, কৰিছোঁ মিনতি সকাতৰে,
ছায়াৰূপে কৰাচোঁ গ্ৰহণ ।

শ্ৰীকৃষ্ণ —অসীম ভকতি বালা
মোক লাগি তোৰ
পাৰাবাৰ অকূল সঙ্কাশ ।
সিকাৰণে স্মৰণ মাত্ৰকে,
খুলিলে কপাট মন-দুৱাৰৰ ;
আলোড়িত কৰিলে হৃদয় ;
নিজ স্থান এৰি অবিলম্বে ।

উপস্থিত ই দেশত,
পাৰোঁ যদি সুজোঁ ধাৰ;
ব্যক্ত কৰা অভীষ্ট মনৰ।

জাম্বুৱতী—হৃদয়ত থাপিছোঁ আসন;
কৰি তাত অধিষ্ঠান, নিত্যানন্দ
কৰা আনন্দিত. মন চকোৰক মোৰ
তব পদ ৰেণু লাভ কৰি.
সুপবিত্র হক আত্মা আৰু,
গোপীৰ আতমা যথা বিবিন্দাবনত
বিহাৰ আঁচল পাতি,
মাগিছোঁ কাতৰে,
দিয়া বৰ, অভয় চৰণ তব
মলচক কেশে মোৰ,
ধন্য হক ৰমণী জনম।

শ্রীকৃষ্ণ—অতি সুমধুৰ বাণী তোৰ,
কোকিলৰ কলকণ্ঠ যথা;
শুনি প্রাণ হল সুশীতল।
সুকঠিন ৰমণী ৰতন লাভ,
ভক্তি মাল্য ওলগণি সহ;
মৰাল গামিনী, চাৰু সুহাস বদনী
কৃশোদৰী, কমলাক্ষী, নিৰুপমা বামা

জাম্বুৱতী—কৰি শিৰে হস্ত-পদ্ম দান,

গোপীনাথ! দিয়া বৰ,
হ'ক ভাগ্য গোপী সম মোৰ ;
ঈষৎ সুহাসে তব,
জুড়াক তাপিত প্ৰাণ,
পুলকিত হ'ক মন আৰু ;
ইষ্ট লাভে দীন জন যথা।
বাহু পাশে কণ্ঠদেশ বেৰি
কোৱা—"দাসী হলা মোৰ আজি ধৰি" বুলি।
মোক্ষতো অধিক ইটো পদ,
ধ্যান কৰোঁ জনমে জনমে,
বাঞ্ছা নাই অন্য বৰে ভকতবৎসল।
শ্ৰীকৃষ্ণ—ভক্তিপণে কিনিলা নিশ্চয়
শুনি তোৰ কাতৰ সুস্বৰ
বিগলিত হল প্ৰাণ-মন
ইচ্ছা তোৰ হওঁক পূৰণ।
জাম্বুৱতী—তব কৃপা গুণে, দাসী ভাবে
পালোঁ যদি স্থান, শ্ৰীপদ কমলত ;
হ'ক দয়া দৃষ্টি ব্ৰজপতি—
যমুনাবালীত যথা
ব্ৰজবাসী গোপীকাসকলে,
ভক্তিভাবে কৰি লাভ ইটো পদ-ৰেণু,
সাফলিলে নাৰী জন্ম ইজন্মাক লাগি ;

হ'ক সেই মোক্ষ লাভ মোৰ,

কৰোঁ শিৰে বৰ-মাল্য দান। [মাল্য দিয়ে।

সদানন্দ—মিতা! পাচে মই একো নাপাওঁনে?

শ্ৰীকৃষ্ণ—তুমি ভক্ত মোৰ,

মই তোৰ আজ্ঞাধীন দাস;

আহ ধৰোঁ আকোৱালি,

জৰাওঁ যাতনা যত বিচ্ছেদ অগ্নিৰ।

সদানন্দ—মিতা মই বৰ নিধকন।

শ্ৰীকৃষ্ণ—নাম মোৰ ভক্ত কল্পতৰু

কি দুখ তোমাৰ শুনো?

সদানন্দ—মিতা তোমাক বিচাৰি বিচাৰি 'হাইৰাণ'। আকৌ যেন বিচাৰিব নালাগে।

শ্ৰীকৃষ্ণ—কিনিলা ভকতি ধনে,

ললা চিৰসঙ্গী কৰি;

আজ্ঞাবহ স্মৰণ মাত্ৰকে

উপস্থিত হব সখা তোৰ।

সদানন্দ—মিতা মই কথাবো দুখীয়া। মিঠা কথা কব নাজানোঁ। তোমাৰ কথা আৰু তেওঁৰ কথাখিনি শুনিলে পমি যাওঁ। মোক যেন অনাথ নকৰা।

শ্ৰীকৃষ্ণ—অসম্ভৱ ইটো কথা।

[জাম্বুবানৰ প্ৰবেশ

জাম্বুবান—অজ্ঞানৰ অপৰাধ ক্ষমিবা নে প্ৰভো।

দাস ভাবি দিবানে আশ্রয়,
নিষিনাই হীন পশু বুলি ?
নাজানোঁ ভকতি স্তুতি,
নাজানোঁ মিনতি,
পশুজাতি আমি,
কৰো সম্প্ৰদান, চৰণত তব,
জাম্বৱতী কন্যা মোৰ, লোৱা দাসী কৰি,
আহিছা মণিৰ হেতু,
লোৱা মণি যৌতুক স্বৰূপে ।

[জাম্বৱতী সম্প্ৰদান

শ্ৰীকৃষ্ণ - পালোঁ পাৰ কলঙ্কৰপৰা ।

[কুমাৰৰ প্ৰবেশ—

কুমাৰ—দয়াময়, দয়া কৰি মোক
ৰাখিবা পাৰত তব ।

শ্ৰীকৃষ্ণ—তুমি মোৰ পৰম সুহৃদ,
ধৰা মোক আকোৱালি
ভাত হলা আজি ধৰি মোৰ ।

চতুৰ্থ গৰ্ভাঙ্ক।

ৰাজ-সভা।

উগ্ৰসেন, শ্ৰীকৃষ্ণ, সভাসদ, ইত্যাদি।

দূতৰ প্ৰবেশ—

দূত—অৱধান মহাৰাজ! ৰাজা সত্ৰাজিত
আছে আহি দুৱাৰত বই ;
হলে আজ্ঞা হব পাৰে ৰাজ দৰশন।

উগ্ৰসেন—যোৱা শ্যাম, আনা গই সমাদৰে
আগবাঢ়ি নৰপতি,
পাদ্য অৰ্ঘ্য অভ্যৰ্থনা কৰি।
অভ্যাগত নৰনাথে,
শোধা শুভ আগমন কৰিবৰ হেতু।

শ্ৰীকৃষ্ণ—(সত্ৰাজিতক আগবঢ়াই আনি।)
বৰ ভাগ্য পালোঁ দৰশন ;
যাৰ বুলি ভাবোঁতে মনত
উপস্থিত নিজে মহাৰাজ!
আসন গ্ৰহণ কৰি লভোক বিশ্ৰাম ;
আছে কথা বহু, কবলই আজি সমাজত

সত্ৰাজিত—নমস্কাৰ পদে তব।

শ্ৰীকৃষ্ণ—ৰাজ বিদ্যমানে, ৰাজ সভাৰ আগত
দিলোঁ মণি ; লোৱা এবে
কোৱা কি কাৰণে দিলা ই কলঙ্ক মোৰ

সত্ৰাজিত—বুজোঁ কেনে কৰি তোমাৰ চাতুৰি
সামান্য মানব আমি হৃষিকেশ !
ব্ৰহ্মা মহেশ্বৰ যোগীগণে,
ধ্যান কৰি নোৱাৰে বুজিব যাক ?
উগ্ৰসেন অতি ভক্ত তব,
বান্ধি ললে ভক্তি দোলে,
গোপী প্ৰেমজৰী, বান্ধিছিল মেৰিয়াই,
নাখাটিল চাতুৰি তোমাৰ,
কান্ধে তুলি গোপীগণ.
দেখালা কতনো লীলা ;
কোন নৰে পালে অন্ত ভাৰ ?
মায়া মোহে অন্ধ মোৰ মন,
কৰিছোঁ কাতৰ,
ঘুচোৱা বন্ধন ইটো,
মুক্ত হই মজোক তোমাৰ পদে ।
উগ্ৰসেন—ক্ষমা কৰা জগত-জীৱন,
পতিত পাবন নাম তব,
দূৰ কৰা মায়াৰ চলনা,
অনুতাপে দগ্ধ নৰবৰ ।
শ্ৰীকৃষ্ণ—লোৱা মণি দিলোঁ মই,
ঘুচোক কলঙ্ক ইটো আজি দিন ধৰি ।
[মণি দিয়ে

পটপৰিবৰ্ত্তন। [সত্যভমাৰ প্ৰবেশ—

সত্ৰাজিত—সঁচা যদি ক্ষমিছা শ্ৰীপতি!
মোৰা কন্যা দাসী কৰি,
কৰোঁ দান
দিয়া স্থান চৰণত তব,
দূৰ কৰা মনৰ আক্ৰোশ;
স্যমন্তক মণি দিলোঁ যৌতুকত।
বিক্ৰীত আজিৰপৰা ইটো দেহা,
সত্ৰাজিত পৰম অধম;
দেখুৱাই ভক্তি পথ,
বিনা পণে কিনা তাক,
ভজোক তোমাৰ পদ,
মুখে উচ্চাৰোক তব নাম।

[কন্যা ও মণি সম্প্ৰদান

সদানন্দ—মিতা! তাৰ লগত মযো।
শ্ৰীকৃষ্ণ—মোৰা মণি, বৰ্ত্তমানে
থাকোক তোমাৰ ঠাই,
অপুত্ৰক তুমি, হল কুটুম্বিতা এবে,
নাই ভেদ তোমাৰ আমাৰ। [মণি দিয়ে

সদানন্দ—মিতা তুমি এনে মহৎ! আহা এবাৰ কোলাকুলি কৰোঁ। তোমাৰ কোলাই মোৰ মোক্ষ।

শ্রীকৃষ্ণ—ভক্তাধীন কৃষ্ণদের
দেখোক জগতে। [কোলাকুলি

সকলোরে—জয় শ্রীকৃষ্ণের জয়; জয় কৃষ্ণ ভক্তির জয়।

[যবনিকা পতন]

সমাপ্ত